# তৃতীয় অধ্যায়

# ৩.০০ কীৰ্তন-ঘোষাৰ ভাষা শৈলীত অসমৰ লোকজীৱনৰ প্ৰতিফলন

## ৩.০১ কীৰ্তন-ঘোষাত ব্যৱহৃত লোক ভাষা ঃ এটি বিশ্লেষণ

সৰ্বভাৰতীয় স্তৰত হোৱা ভক্তি আন্দোলন সফল কৰিবলৈ বিভিন্ন প্ৰান্তৰ ধৰ্মনেতাসকলে স্থানীয় ভাষাত ধৰ্মতত্ব প্ৰকাশ কৰাৰ নীতি গ্ৰহণ কৰিছিল। সংস্কৃতত দেৱ-ভাষাৰূপে গণ্য কৰা থলুৱা সমাজৰ পক্ষে শাস্ত্ৰ চৰ্চা কৰাটো অসম্ভৱ প্ৰায় আছিল। থলুৱা ভাষাত শাস্ত্ৰৰ তত্ব প্ৰকাশ কৰি সৰ্বসাধাৰণ মাজত এক প্ৰকাৰৰ জাতীয় জাগৰণৰ সূচনা কৰিবলৈ সক্ষম হৈছিল ধৰ্মনেতা সকল। শঙ্কৰদেৱেও এই নীতি গ্ৰহণ কৰিছিল। তেওঁ স্থানীয় ভাষাৰ ওপৰত গুৰুত্ব দিছিল। শঙ্কৰদেৱৰ দ্বাৰা 'পূৰ্বকবি অপ্ৰমাদী' সন্মানেৰে বিভূষিত মাধৱ কন্দলিয়ে 'সপ্তকাণ্ড ৰামায়ণ' ৰচনাৰ জৰিয়তে অসমীয়া ভাষাৰ সাহিত্যিক ৰূপ এটি প্ৰতিষ্ঠা কৰে। তেওঁ প্ৰত্ন অসমীয়া ভাষাৰ ৰচনা, মাধৱ কন্দলিৰ ৰচনা আদিক নিদৰ্শন হিচাবে লৈ স্থানীয় মানুহৰ কথনশৈলীক গুৰুত্ব দি স্বকীয় প্ৰতিভাৰে এক বিশিষ্ট ভাষা শৈলীৰ বিকাশ ঘটাইছিল। নৱবৈষ্ণৱ ধৰ্মৰ প্ৰসাৰৰ উদ্দেশ্যে জনসাধাৰণ সহজবোধ্য থলুৱা ভাষাত সাহিত্য ৰচনা কৰাটো শঙ্কৰদেৱৰ কৃতিত্ব। কীৰ্তন-ঘোষাৰ ভাষা পুৰণি অসমীয়া কথিত ভাষাৰ সাহিত্যিক ৰূপ। কীৰ্তন-ঘোষাৰ ভাষাৰ অধ্যয়নৰ বিস্তৃত দিশ লক্ষ্য কৰা যায়। শঙ্কৰদেৱে কাব্যত ব্যৱহাৰ কৰা ভাষাৰ পূৰ্ণাংগ ৰূপৰ সুদৃঢ় ভেঁটি মাধৱ কন্দলিয়ে প্ৰতিষ্ঠা কৰিছিল। শঙ্কৰদেৱে সেই ভেঁটিক অধিক সুদৃঢ় কৰি তুলিছিল।

> শঙ্কৰদেৱে যিটো ভাষা কাব্যৰ ভাষাৰূপে ব্যৱহাৰ কৰিছিল, তাৰ সুদৃঢ় ভেঁটি প্ৰতিষ্ঠা কৰিছিল শংকৰপূৰ্ব 'অপ্ৰমাদী কবি' মাধৱ কন্দলিয়ে। অসমৰ জাতীয় মহাকাব্য ৰূপে পৰিগণিত কন্দলিৰ ৰামায়ণতেই সেই ভাষাটোৰ এটা পুষ্টৰূপ ৰক্ষিত হৈ আছে।' [১]

কীৰ্তন-ঘোষাৰ পাঠ অধ্যয়ন কৰিলে এই পাঠ যে নিভাঁজ অসমীয়া ভাষাৰ নিদৰ্শন বুলি বুজিব পৰা যায়। হীৰেন গোঁহায়ে এই প্ৰসঙ্গত 'কীৰ্তনৰ ভাষা আচৰিত ধৰণে আধুনিক অসমীয়া ভাষাৰ লগত মিলে' [২] মন্তব্য প্ৰকাশ কৰিছে।

এইখিনিতে উল্লেখ কৰা হ'ল যে যি ভাষা সৰ্বসাধাৰণ মানুহে ঘৰুৱা আৰু ৰাজহুৱা জীৱনত স্বাভাৱিকভাৱে প্ৰয়োগ কৰে আৰু যি ভাষা অল্প শিক্ষিত চহা লোকৰ মাজত প্ৰচলিত সেয়ে লোকভাষা। মুখে মুখে প্ৰচলিত এনে ভাষাত অনেক ধৰণৰ পৌৰাণিক কিম্বদন্তী, কাহিনী, প্ৰবাদ প্ৰবচন, জতুঁৱা ৰূপ, আবেগ, পৰম্পৰা আদি সংৰক্ষিত হৈ থাকে। শংকৰদেৱে লোকভাষাৰ অসংখ্য উপাদান কীৰ্তন-ঘোষাৰ মাজত সংৰক্ষণ কৰিছে।

---

১. লীলাৱতী বৰা শইকীয়া, *শঙ্কৰদেৱৰ ভাষা অসমীয়া জাতীয় জীৱনৰ চিৰন্তন ভাষা*, গৰীয়সী- পৃ. ৮৮
২. হীৰেণ গোঁহাই, *কীৰ্তন পুথিৰ ৰসবিচাৰ*, পৃ. ৩৫

কীৰ্তন-ঘোষাৰ ভাষাত অসমীয়া ভাষাৰ পদ, বিভক্তি, প্ৰত্যয়, কাৰক, লিংগ, বচন-পুৰুষ, খণ্ডবাক্য, ফকৰা-যোজনা সমূহৰ ব্যৱহাৰ সাৰ্থকভাৱে কৰা হৈছে। কীৰ্তন-ঘোষাৰ ভাষা তাত্ত্বিক অধ্যয়ন এটা অন্য গৱেষণাৰ বিষয়, গতিকে যথেষ্ট বিস্তৃত আলোচনাৰ থল আছে যদিও প্ৰস্তাৱিত গৱেষণাৰ ক্ষেত্ৰত কীৰ্তনৰ ভাষাৰ ৰূপতাত্ত্বিক অধ্যয়নৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই আৰু সাধাৰণ ভাৱে কীৰ্তনৰ ভাষাৰ এটি বিচাৰ কৰা হৈছে।

**কীৰ্তন-ঘোষাত ব্যৱহৃত ব্যাকৰণ ৰীতি ঃ**

**পদৰ ব্যৱহাৰ ঃ** মধ্যযুগীয় অসমীয়া ভাষাত পদৰ ব্যৱহাৰ সংস্কৃত ব্যাকৰণৰ আৰ্হিতেই কৰা হৈছিল। সেইমতে প্ৰধান পদ হৈছে- বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া আৰু অব্যয়।

(ক) **বিশেষ্য পদ ঃ** মানুহ, জাতি, বস্তু, জাতি, গুণ, ক্ৰিয়া বা কাৰ্য, অৱস্থা, সমষ্টি আদি নামবাচক পদবোৰেই বিশেষ্য পদ। বিশেষ্য পদৰ প্ৰধান চাৰিটা উপভাগ আছে—

(ক) সংজ্ঞাবাচক বিশেষ্য

(খ) গুণবাচক বা ভাৱবাচক বিশেষ্য

(গ) সম্বন্ধবাচক বিশেষ্য

(ঘ) ক্ৰিয়াবাচক বিশেষ্য।[৩]

কীৰ্তনঘোষাৰ পৰা এনে পদৰ উদাহৰণ উল্লেখ কৰা হ'ল।

(ক) **সংজ্ঞাবাচক বিশেষ্য পদৰ ব্যৱহাৰ ঃ**

(১) সাধাৰণ সংজ্ঞাবাচক বিশেষ্য ঃ

**জাতিগত বিশেষ্যৰ ব্যৱহাৰ ঃ**

(১) আদি <u>দৈত্য</u> হিৰণ্যকশিপু বলিয়াৰ।

নৰসিংহ-ৰূপে হিয়া বিদাৰিলা তাৰ।। (১ ম কীৰ্তন, চ.অ.ব.)

(২) <u>মৎস্য</u>-ৰূপে অৱতাৰ ভৈলা প্ৰথমত।

উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত।। (১ ম কীৰ্তন, চ.অ.ব.)

গৰু, গোপিকা, পশু, বৃক্ষ, বন, ভকত, পাষণ্ড, দানৱ, বীৰ আদি অসংখ্য জাতিগত বিশেষ্য পদৰ ব্যৱহাৰ কীৰ্তন-ঘোষাত পোৱা যায়।

---

৩. লক্ষ্মী হাজৰিকা, *মধ্যযুগৰ অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ*, পৃ. ২১

**বস্তুগত বিশেষ্যৰ ব্যৱহাৰ ঃ**

দেখি দৈত্য-কটকে কিটাইল।
অস্ত্ৰ-শস্ত্ৰ ধৰি ক্ৰোধে ধাইল।। (১৮শ কীৰ্তন, প্ৰ.চ)

**সমষ্টিগত বিশেষ্যৰ ব্যৱহাৰ ঃ**

এহি বুলি যান্ত কতো ঋষিগণ।
লৰৰন্তে কৰযোৰে বোলন্ত বচন।।৬৬ (৭ম কীৰ্তন, হ.মো.)

(খ) **বিশেষণ পদ ঃ** সাধাৰণতে বিশেষ্য পদৰ বা আনপদৰ দোষগুণ অৱস্থা আদি বুজোৱা পদকেই বিশেষণ পদ বোলে। ই তিনিপ্ৰকাৰৰ। মধ্যযুগীয় ভাষাত কীৰ্তন ঘোষাৰ পৰা প্ৰতিবিধৰে উদাহৰণ দিয়া হ'ল—

(১) **বিশেষ্যৰ বিশেষণ পদ ঃ**

(ক) খেদিয়া ফুৰন্ত হৰে দ্বীপ-দ্বীপান্তৰ।।৬১
আছে ঋষিগণৰ আশ্ৰম অসংখ্যাত।
পলান্তে খেদন্তে দুয়ো প্ৰৱেশিলা তাত।। (৭ম কীৰ্তন, হ.মো.)

(খ) শৰত কালৰ ৰাত্ৰি আতি বিতোপন। (১ম কীৰ্তন, ৰা.লী.)

(গ) দেখিলাহা ইটো বিকশিত বৃন্দাবন। (২য় কীৰ্তন, ৰা.ক্ৰী)

(২) **সৰ্বনামৰ বিশেষণ পদ ঃ**

মই মহামূঢ় পাপী নৃশংস।
মিছাত কৃষ্ণক দিলো কলঙ্ক।। (৮ম কীৰ্তন, স্য.হ)

(৩) **বিশেষণীয় বিশেষণ পদ ঃ**

(১) বিষয়-চিন্তায় পৰম প্ৰমত্ত
থাকে মহা মোহ-দৰ্পে। (৮ম কীৰ্তন, মু.স্তু.)

(২) শৰত কালত ৰাত্ৰি আতি বিতোপন। (১ম কীৰ্তন, ৰা.ক্ৰী.)

(৪) **ক্ৰিয়া-বিশেষণ পদ ঃ**

(১) কামে বশ্য হুয়া গোপী যতেক।
বুলিলা বিহ্বল বাক্য অনেক।। (৩য় কীৰ্তন, ৰা.ক্ৰী)

(২) পাছে সৰে গোপিকা পঞ্জালনেয় গুড়ি।

দেখৈ কৃষ্ণ-খোজে স্ত্ৰীৰ খোজ আছে পড়ি।।

দেখি দুঃখে অধিকে আকুল ভৈলমন।

বোলা হৰি হৰি আছে যাৱত চেতন।।৬৮ (৬ষ্ঠ কীৰ্তন, ৰা.ক্ৰী.)

(গ) **সৰ্বনাম পদ ঃ** বিশেষ্য পদৰ পৰিৱৰ্তে ব্যৱহৃত পদকে সৰ্বনাম পদ বোলে। সৰ্বনামৰ চাৰিটা বিভাগ পোৱা যায়। মধ্যযুগীয় অসমীয়া ভাষাৰ সৰ্বনাম পদৰ উদাহৰণ কীৰ্তন-ঘোষাৰ পৰা দিয়া হ'লঃ

**ব্যক্তিবোধক সৰ্বনাম ঃ**

(১) তযু কথামৃতে দগ্ধকো জীয়াৰে

শ্ৰৱণে দেয় মুকুতি। (৮ম কীৰ্তন, ৰা.ক্ৰী.)

(২) তোমাৰ সংযোগে মনে মিলে মহাসুখ

ক্ষেণেকে নেদেখি পাওঁ অতি চিন্তা-দুখ।। (৯ম কীৰ্তন, ৰা.ক্ৰী.)

**বিশেষণীয় সৰ্বনাম পদ ঃ**

(১) দূৰতে ধৰ্ম্মক পৰিহৰি।

যিটো চিন্তে হৃদি ৰূপ ধৰি।।

নিতান্তে কীৰ্তন মাত্ৰ কৰে।

বৈকুণ্ঠত থাকে সিটো নৰে।।১২ (২য় কীৰ্ত্ত্ন, প্ৰ.চ.)

(২) এহি বুলি মৌন ভৈলা।

মাধৱে বুলিব লৈলা।।৬৪ (৬ষ্ঠ, কীৰ্তন, প্ৰ.চ.)

**কালবাচক সৰ্বনাম পদ ঃ**

(১) অসুৰে গৰ্জ্জয় কটাক্ষে চাই।

খাইবো আজি তোৰ মুণ্ড পুতাই।।১৭৩ (১৬শ কীৰ্ত্ত্ন, প্ৰ.চ.)

(২) দানৱক মাৰি আৰে খণ্ডিলা দুৰ্গতি।

কোননো নসাধে প্ৰভু তোমাত ভকতি। ২১৪ (১৯শ কীৰ্তন, প্ৰ.চ.)

**স্থানবাচক সৰ্বনাম ঃ**

(১) হৰিসে যদি জগতৰ ঈশ।

কৈত আছে তাৰ কহ উদ্দিশ।।১৮০ (১৬শ কীৰ্তন, প্ৰ.চ.)

(২) তথাত মণিক কৃষ্ণে দেখিলন্ত পাছে

হাতে লৈয়া ধাই শিশু উমলান্তে আছে। (৩য় কীৰ্তন, স্য.হ.)

(ঘ) **ক্ৰিয়া পদ ঃ** যি পদে কোনো কাৰ্য কৰা, হোৱা বা কৰি থকা আৰু এইবোৰৰ নেতিবাচক অৰ্থও প্ৰকাশ কৰে, সেইপদেই ক্ৰিয়াপদ। প্ৰত্যেক ক্ৰিয়াপদৰে এটা মূল অংশ ক্ৰিয়ামূল বা ধাতু থাকে। ধাতুৰ পিছত বিভিন্ন বিভক্তি, প্ৰত্যয় যোগ গৈ ক্ৰিয়াপদ সাধিত হয়। মধ্যযুগীয় অসমীয়া ভাষাত ৰূপ আৰু অৰ্থগত দিশৰে ক্ৰিয়াপদক সমাপিকা, অসমাপিকা, সদৰ্থক, নঞৰ্থক, সকৰ্মক আৰু অকৰ্মক— এইদৰে শ্ৰেণী বিভাজন কৰা হৈছে।[৪] কীৰ্তন-ঘোষাৰ পৰা কিছু উদাহৰণ দিবলৈ প্ৰয়াস কৰা হ'ল।

**সমাপিকা ক্ৰিয়াপদ ঃ** সমাপিকা ক্ৰিয়াপদে বাক্য এটা সম্পূৰ্ণ কৰে।

(১) এড়াইলা উলটা বন্ধে।

লাঙ্গল ভেজাইলা কন্ধে।।৩৬ (৩য় কীৰ্তন, জ.যু.)

(২) কৃষ্ণ সমে লড়ি গৈলা।

মথুৰা প্ৰৱেশ ভৈলা।। ৩৯ (৩য় কীৰ্তন, জ.যু.)

**অসমাপিকা ক্ৰিয়া ঃ** এনে ক্ৰিয়াপদে বাক্যৰ সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব নোৱাৰে।

(১) কতো দূৰে গৈয়া পাছে দেখিল মহীত

প্ৰসেন পড়িয়া আছে ঘোড়ায়ে সহিত।। (৩য় কীৰ্তন, স্য.হ)

(২) হেন শুনি জাম্বৱন্ত।

ধাইলা মহা বলৱন্ত।।

নিচিনি স্বামীক পাছে।

ধৰিলন্ত যুদ্ধ কাছে।২৪ (৪ৰ্থ কীৰ্তন, স্য.হ.)

**সদৰ্থক ক্ৰিয়াপদ ঃ**

কৈলা, কৰিলা, দেখিলা, তেজিলা, কহিলা ইত্যাদি সদৰ্থক ক্ৰিয়াপদ।

৪. উল্লিখিত, পৃ. ৫৯

(১) কীৰ্তন-মহিমা শুনা উৎসুকে।

বাহুয় স্কন্ধত যি কৈলা শুকে।। (২য় কীৰ্তন, পা.ম.)

(২) ভক্ত প্র াদক প্রভু কৰিলা আশ্বাস।।৫ (১ম কীৰ্তন, চ.বি.অ.ব)

(৩) নিক্ষত্ৰিয় কৰিলা সমস্ত বসুন্ধৰী।।৭ (২য় কীৰ্তন, চ.বি.অ.ব)

(৪) দেখিলা কৃষ্ণৰ মুখ শ্যাম পদ্ম কোষ। (৪ৰ্থ কীৰ্তন, প্র.চ.)

(৫) কহিলা ৰহস্য মোত শঙ্কৰে। (২য় কীৰ্তন, না.অ.)

(৬) দক্ষৰ যজ্ঞত কহিলা সতী।। (২য় কীৰ্তন, পা.ম.)

**নঞৰ্থক ক্রিয়াপদ ঃ**

(১) হৰি বিনে আৰৰ তাৰন্ত নাহি কেৰ।। (৩য় কীৰ্তন, গ.পা.)

(২) নকৰিবো দ্বন্দ্ব-বাদ নপাৰিবো গালি। (৬ষ্ঠ কীৰ্তন, হ.মো.)

(৩) নেদেখয় কেৰে বান্ধে কিয় কৰ লাজ।

নাহি আন পুৰুষ নিৰ্জ্জন বন মাজ। (৬ষ্ঠ কীৰ্তন, হ.মো.)

**সকৰ্মক ক্রিয়াপদ ঃ**

(১) শুনা শুনা জ্ঞানশালী তোমাৰেসে বাক্যপালি

দেখাইলো দুস্তৰ স্ত্ৰী মায়া। (৯ম কীৰ্তন, হ.মো.)

(২) কৃষ্ণক আলিংগি আনন্দ পাইল।

নাছিল প্ৰাণ দুনাই যেন আইল।। (১১শ কীৰ্তন, শি.লী.)

**অকৰ্মক ক্রিয়াপদ ঃ**

(১) অনন্তৰে ভগৱন্ত ভকতৰ গতি।

পাতিলন্ত নিয়া উগ্রসেনক নৃপতি।।৪৩১ (৩৩শ কীৰ্তন, ক.ব.)

(২) আপুন গৃহক চলি গৈলা পাছে

উদ্ধৱ ৰাম সহিত।১০ (অক্ৰূৰৰ বাঞ্ছা পূৰণ)

(ঙ) **অব্যয় পদ ঃ** কোনো বিভক্তি, প্ৰত্যয় আদি যোগ নোহোৱা পদেই অব্যয়পদ মধ্যযুগীয় অসমীয়া ভাষাত আঠপ্ৰকাৰৰ অব্যয় পদৰ প্ৰয়োগ হৈছিল।[৫]

ক) যোজক অব্যয়,

৫. উল্লিখিত, পৃ. ৭২

খ) বিযোজক অব্যয়,

গ) সন্দেহবোধক অব্যয়,

ঘ) ভাৱবোধক অব্যয়,

ঙ) আনুষঙ্গিক অব্যয়,

চ) সম্বোধনবোধক অব্যয়,

ছ) প্ৰশ্নবোধক অব্যয়,

জ) সমিধানবোধক অব্যয়।

কীৰ্তনঘোষাৰ পৰা এনে অব্যয়ৰ উদাহৰণ দিয়া হৈছে—

ক) **যোজক অব্যয় ঃ**

(১) কলি যুগে আৰ অন্যত্ৰ ধৰ্ম্মত

কাৰো নাহি অধিকাৰ।।৩৩ (৪ৰ্থ কীৰ্তন, অ.উ.)

(২) আউৰ কি সেন্থৰে ভাৰত-ভূমিত

হৈবাহা মানুষ-জন্ম।।৪০ (৪ৰ্থ কীৰ্তন, অ.উ.)

(খ) **বিযোজক অব্যয় ঃ**

(১) গাজিল তাক ঢাকি বেৰূ-ঝাৰ।

তথাপি কটাক্ষ নাহিকে তাৰ।। (৮ম কীৰ্তন, প্ৰ.চ.)

(২) যাৰে নতু নষ্ট হোৱে সমস্ত সংসাৰ।।৮৯ (৯ম কীৰ্তন, প্ৰ.চ.)

গ) **সন্দেহবোধক অব্যয় ঃ**

১) হৰিসে যদি জগতৰ ঈশ।

কৈত আছে তাৰ কহ উদ্দিশ।।১৮৩ (১৬শ কীৰ্তন, প্ৰ.চ.)

২) যদ্যাপি অজিত তুমি তিনিও জগতে।

তথাপি তোমাক জিনে সেহিসে ভকতে।।১০৩ (৮ম কীৰ্তন, শি.লী.)

ঘ) **ভাৱবোধক অব্যয় ঃ**

১) লগতে চলে গোপ-গোপীজাক।

হা হা কৃষ্ণ বুলি ছাড়ন্ত ডাক।। ১৩২ (৯ম কীৰ্তন, শি.লী.)

২)	কান্দে আৰ্ত্তৰাৱে গোপী কৃষ্ণক নেদেখি।

হা নাথ কৈক গৈলা আমাক উপেক্ষি।। ৭৯ (৭ম কীৰ্তন, ৰা.ক্ৰী.)

ঙ) **আনুষংগিক অব্যয় ঃ**

(১)	তুমি বিনা আছে আৰ ধূৰ্ত্ত কোন জন

মাতি আনি নিশাত এড়িলা নাৰী গণ।। (৯ম কীৰ্তন, ৰা.ক্ৰী.)

(২)	কৃষ্ণ সমে নাচে সৱে সন্তোষে গোপিনী

বলয়া নূপুৰ বাঝে ঝমকে কিঙ্কিনী।।

প্ৰকাশ কৰন্ত কৃষ্ণ গোপীৰ মধ্যত।

সুৱৰ্ণ মণিৰ মাজে যেন মৰকত।।১৩৪ (১২শ কীৰ্তন, ৰা.ক্ৰী.)

(চ) **সম্বোধনবোধক অব্যয় ঃ**

১)	কোন পাপ পূণ্য	একো নজানস

শুনৰে যম কিঙ্কৰ।৮ (১ম কীৰ্তন, অ.উ.)

২)	আন বেত কোবাই মাৰো অৰে দুৰাচাৰ। (১১শ কীৰ্তন, প্ৰ.চ.)

(ছ) **প্ৰশ্নবোধক অব্যয় ঃ**

১)	কোননো দুৰ্ল্লভ আছে হৰি সুপ্ৰসন্নে। (১৩শ কীৰ্তন, প্ৰ.চ.)

২)	ত্ৰিদশে কাম্পে দেখি মোৰ খঙ্গ।

কৰস কেনে তঞি আজ্ঞা-ভঙ্গ।।১৭৪ (১৬শ কীৰ্তন, প্ৰ.চ.)

## ৩.০২ কীৰ্তন-ঘোষাৰ বাণীভঙ্গিমাত অসমীয়া লোকজীৱনৰ প্ৰকাশ ঃ

শঙ্কৰদেৱৰ শব্দচয়ন অতি গাম্ভীৰ্যপূৰ্ণ আৰু ভাৱ উপযোগী। শব্দপ্ৰয়োগৰ সাৱলীল ভংগিমাতে শঙ্কৰদেৱৰ প্ৰতিভা নিহিত আছে। কীৰ্তন-ঘোষাৰ সমগ্ৰ পাঠতে ভিন্ন উৎসৰ শব্দৰ ব্যৱহাৰ হৈছে। সেই ভিত্তিত শব্দসমূহক তৎসম, অৰ্দ্ধতৎসম, তদ্ভৱ, দেশীয়, অনাৰ্যমূলীয় বিদেশী শব্দ শিতানত ভাগ কৰিব পাৰি (পৰিশিষ্টত তালিকা দিয়া হৈছে)। থলুৱা বাণীভঙ্গী প্ৰয়োগৰ দ্বাৰা পুথিখনিয়ে সমাজত স্থায়িত্ব লাভ কৰিবলৈ সক্ষম হৈছে। সহজবোধ্য নব্য সৃষ্ট শব্দ, খণ্ডবাক্য, জতুৱা ঠাঁচ, ফকৰা-যোজনাৰ ব্যৱহাৰ তথা

মৌলিক বাণীভঙ্গীৰ বিশেষত্বৰে শঙ্কৰদেৰৰ কীৰ্তন-ঘোষা অনবদ্য সৃষ্টি। বেজবৰুৱাই এই প্ৰসঙ্গত উল্লেখ কৰিছে-

> যি অসমীয়া ভাষাই এনে বৰ্ণনা হৃদয়ত ঠাই দিছে, সেই অসমীয়া ভাষা সম্পদত নিশ্চয় কুবেৰ। অসমীয়া ভাষাক শঙ্কৰদেৱে যে কি ৰত্নৰে বিভূষিত কৰি গৈছে, ভাবিলে শৰীৰ ৰোমাঞ্চিত হয়। সেই দেখিহে কঁও, যি আসাম দেশত কীৰ্তন-পুথিৰ নিচিনা গ্ৰন্থৰ জনম সেই আসাম দেশ সাহিত্যত কেতিয়াও দুখীয়া হ'ব নোৱাৰে যি ভাষা এনে ৰত্নেৰে খচিত ভাষা, সেই ভাষা চিৰ উজ্বল।[৬]

শঙ্কৰদেৰৰ কীৰ্তন-ঘোষাৰ বাণীভঙ্গী অৰ্থাৎ বৰ্ণনাশৈলীৰ মাধুৰ্য উপলব্ধি কৰিবলৈ হ'লে পুথিখনিৰ শব্দপ্ৰয়োগৰ বিশেষত্ব বিশ্লেষণ কৰিব লাগিব। এই সন্দৰ্ভত বিস্তৃত আলোচনাৰ প্ৰয়োজন আছে। অনাখৰী সমাজৰ জীৱন-চৰ্যাৰ উপযোগীকৈ শঙ্কৰদেৱে পুৰণি অসমীয়া ভাষাৰ কথিত ৰূপক সাহিত্যিক মৰ্যদা প্ৰদান কৰিছিল। গতিকে জনসাধাৰণৰ মুখৰ ভাষা গ্ৰন্থখনিত সূক্ষ্মভাৱে সন্নিৱিষ্ট হৈ আছে। স্মৰ্তব্য যে লোকউপাদান অবিহনে সাহিত্যই গতিশীলতা লাভ কৰিব নোৱাৰে। শঙ্কৰদেৰৰ সাহিত্যৰ প্ৰতি পৃষ্ঠাতে লোক-জীৱনৰ সূক্ষ্মতম দিশসমূহ নিহিত হৈ আছে, সেইসমূহ বিচাৰি ল'ব জানিলেই বৰ্তমান সময়তো কীৰ্তন-ঘোষা কি দৰে প্ৰাসঙ্গিক হৈ আছে, জনমানসৰ অতি ওচৰচপা হৈ থাকিবলৈ সক্ষম হৈছে, তাৰ তাৎপৰ্য উদঘাটন কৰিবলৈ সহজ হ'ব। লোকমনৰ কাল্পনিক ধাৰণাসমূহ জ্ঞান আৰু প্ৰজ্ঞাৰ সংমিশ্ৰণেৰে নৈতিক, সামাজিক, সাংস্কৃতিক তথা আধ্যাত্মিক প্ৰমূল্যবোধ প্ৰদান কৰি শঙ্কৰদেৱে কীৰ্তন-ঘোষাৰ অন্তৰ্গত খণ্ডসমূহৰ কাহিনীসমূহ সজাইছে। অৱশ্যে এইসমূহৰ সমল সংস্কৃত ভাগৱত পুৰাণ প্ৰভৃতি শাস্ত্ৰসমূহ; তথাপি ইয়াত লোক জীৱনৰ ধৰ্মীয় আবেগৰ প্ৰাধান্য সৰ্বাধিক। খণ্ডসমূহৰ ভাষাশৈলী তথা বাণীভঙ্গিমাত অসমীয়া লোকজীৱনৰ প্ৰাণস্পন্দন কিদৰে নিহিত হৈ আছে; তাৰেই বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ল।

### ৩.০২.১ অসমৰ প্ৰকৃতি জগতৰ চিত্ৰ প্ৰকাশক শব্দ সম্ভাৰ ঃ

(ক) **ধ্যান বৰ্ণন ঃ** ধ্যানবৰ্ণন খণ্ডটি শঙ্কৰদেৰৰ মূল ভাগৱতৰ দ্বিতীয় আৰু তৃতীয় স্কন্ধৰ আধাৰত ৰচিত দুটি কীৰ্তনৰ সমষ্টি। খণ্ডটিৰ বৰ্ণনা সৌষ্ঠৱ আৰু লৌকিক জীৱনৰ সাৱলীল প্ৰকাশ বিশেষত্বপূৰ্ণ। ভগৱানৰ আবাসস্থলী বৈকুণ্ঠৰ বৰ্ণনা, ভগৱানৰ সৌন্দৰ্যমূৰ্তিৰ বৰ্ণনা- অসমীয়া লৌকিক জীৱনত সিঁচৰতি হৈ থকা শব্দাৱলীৰ পৰা গ্ৰহণ কৰিছে। শঙ্কৰদেৰৰ কল্পনা শক্তি অতি উচ্চখাপৰ। তেওঁ ভগৱান বিষ্ণুৰ স্থান বৈকুণ্ঠ্যৰ প্ৰাকৃতিক শোভা আৰু বাস-মন্দিৰৰ বৰ্ণনা অসমীয়া পৰিৱেশত কৰিবলৈ সক্ষম হৈছে। শাৰী শাৰী বিমান,

৬. অতুলচন্দ্ৰ হাজৰিকা, *বেজবৰুৱা গ্ৰন্থাৱলী, শ্ৰীশ্ৰী শঙ্কৰদেৱ*, পৃ. ১৬২

হীৰা-মৰকতৰে উজ্জ্বল, চন্দ্ৰ-সূৰ্যৰ দৰে আলোকময় দিন-ৰাতিৰ উমান নোপোৰা অতি উত্তম স্থান বৈকুণ্ঠতো অসমৰ প্ৰাকৃতিক সৌন্দৰ্যৰে চিত্ৰ প্ৰতিফলিত হৈছে এনেদৰে—

চাৰ সৰোবৰ নিৰ্ম্মল জল।
সুগন্ধি পদ্ম শোভে উতপল।।২
আছে ৰাজহংস সমূহে ৰঞ্জি।
লীলায়ে মৃণাল ভুঞ্জে উভঞ্জি।।
পাৰে পাৰিজাত মলয়া বাৱ।
চটকে তেজে সুললিত ৰাৱ।।৩
ভ্ৰমৰগণে গাৱে হৰিগীত।
বৈষ্ণৱগণ শুনি আনন্দিত।। (১ ম কীৰ্তন)

সৰোবৰৰ নিৰ্মল জল সুগন্ধিত পদুম ফুলে শুৱনি কৰে আৰু তাতে ৰাজহাঁহ বিলাকে পদুম ফুল উভালি উভালি খায়। সুৰভিত মলয়া বতাহ বোৱা, চৰায়ে গীত গোৱা, এই পৰিৱেশ বৰ্ণনাভংগীৰ বাবে চিনাকি হৈ পৰিছে।

(খ) **গজেন্দ্ৰোপাখ্যান ঃ** শঙ্কৰদেৱে 'গজেন্দ্ৰোপাখ্যান' খণ্ডটি ভাগৱতৰ অষ্টম স্কন্ধৰ ২য়, ৩য় আৰু ৪ৰ্থ আধাৰত ৰচনা কৰিছে। সম্পূৰ্ণ খণ্ডটিত অসমৰ থলুৱা জীৱনে প্ৰত্যক্ষ কৰা প্ৰাকৃতিক শোভা বৰ্ণিত হৈছে। ক্ষীৰ সাগৰৰ মাজৰ ত্ৰিকূট পৰ্বতৰ উপবনত উপলব্ধ গছ-লতিকা, ফুল-ফল অসমীয়া লোকজীৱনৰ অতিকে চিনাকি।

(১) শাল তাল তমাল মন্দাৰ পাৰিজাত।
চম্পক অশোক আনো পুষ্প অসংখ্যাত।।
আম জাম লেবু জৰা জামীৰ খাজুৰি।
বেল নাৰিকেল তাল তাম্বূল পাকড়ি।।৭
আগৰ চন্দন পদ্ম সৰল সোণাৰু। (১ম কীৰ্তন)

(২) কদম্ব ৰঘু-নাগেশ্বৰ গাছে।
ফুলে জকমক বেঢ়িয়া আছে।।

মালতী মধাই জাই যুঁতি যত।

পাৰিজাত মুখ্য বৃক্ষ সমস্ত।।১৩ (২য় কীৰ্তন)

আকৌ, নদীমাতৃক অসম দেশত হস্তী-হস্তিনীয়ে নদীত কৰা স্বাভাৱিক জলকেলিৰ দৃশ্যও এখন চিনাকি চিত্ৰৰ দৰে শঙ্কৰদেৱে কীৰ্তনটিত অঙ্কন কৰিছে।

অগাধ জল অতিশয় জুৰ।

গজেন্দ্ৰে ঘনে ঘনে পাৰে বুৰ।।

হস্তিনী সমে কৰে জলক্ৰীড়া।

খণ্ডিল সমস্ত ৰৌদ্ৰৰ পীড়া।।১৯ (২য় কীৰ্তন)

(গ) **হৰমোহন ঃ** হৰমোহন খণ্ডটিৰ দিব্য উপবনৰ বৰ্ণনাত প্ৰাকৃতিক পৰিৱেশৰ চিত্ৰ সুন্দৰকৈ প্ৰকাশ পাইছে। শঙ্কৰদেৱৰ অতুলনীয় কাব্যিক ভাষাত অসমৰে প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ এখন ফলে ফুলে জাতিষ্কাৰ স্থানীয় উপবনৰ চিত্ৰ প্ৰতিভাত হৈছে। খণ্ডটিৰ তৃতীয় কীৰ্তনৰ ২৪ সংখ্যক পদৰ পৰা ২৬ সংখ্যক পদলৈকে বৰ্ণিত ফুল-ফল ইত্যাদি গছ-লতিকা অসমৰ থলুৱা বনজ সম্পদৰ অন্তৰ্গত। অসংখ্য চিনাকি ফুল লতিকাৰ বৰ্ণনাই খণ্ডটিৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। শিৰিষ, সেউতী, তমাল, মালতী, কৰবী, কাঞ্চন, চম্পক, শেৱালী, পলাশ, পাৰিজাত, বকুল, বাবৰি, অশোক, সিংহচম্পা, কেতেকী, তগৰ, দেৱদাৰু, চন্দন, অগৰু, গুটিমালি ইত্যাদি অসংখ্য ফুলগছৰে সেই উপবন পৰিপূৰ্ণ হৈ আছে। যেনে-

কুন্দ কুৰুবক কেতেকী তগৰ

গন্ধে মোহে বহুদূৰ।

গুটিমালী ভেণ্টি ৰাঙ্গল ৰেৱতী

মৰুৱা মধাই ধুস্তৰ।। (৩য় কীৰ্তন)

সেইদৰে অসমৰ থলুৱা পক্ষীৰ জাকৰ বিৱৰণ পদ সমূহত পোৱা যায়। খণ্ডটিত উল্লেখিত চক্ৰৱাক (চাকৈ-চকোৱা), ৰাজহংস (ৰাজহাঁহ), কোণ্ঢা (কোঁঢ়া চৰাই), কঙ্ক (বগলী), কাকপক্ষী (কাউৰী), বক (ডাঙৰ বগলী), চটক (চাতক পক্ষী), কোকিল (কুলি চৰাই)— এই বিলাক অসমৰ থলুৱা পক্ষী।

সুৱৰ্ণ কমল ভেট উতপল

ফুলি ফুলি আছে ৰঞ্জি।

শোভে চক্রৱাক রাজহংস-জাক

মৃণাল ভুঞ্জে উভঞ্জি।।

কোণ্ঢা কঙ্ক বক বিবিধ চটক

ভ্ৰমন্ত নিৰ্ভয় ভাৱ। (৩য় কীৰ্তন)

(ঘ) **ৰাসক্ৰীড়া ঃ** ৰাস-ক্ৰীড়া খণ্ডটিত শঙ্কৰদেৱে শ্ৰীকৃষ্ণৰ শৰত কালৰ মধুৰ জোনাক নিশাত গোপীবৃন্দৰ সতে উক্ত ৰাস-নৃত্যৰ বিৰৰণ অতি চিনাকি পৰিৱেশত অঙ্কন কৰিছে। গোপীসকলে কৃষ্ণ বিৰহত আকুল হৈ কৃষ্ণ অন্বেষণ কৰাৰ প্ৰসংগত অসমৰ থলুৱা গছ-লতাৰ উল্লেখ দেখা পোৱা যায়।

উচ্চ বৃক্ষ দেখি সোধে সাদৰি।

শুনিয়ো অশ্বত্থ বট পাকড়ি।।

যাহান্তে দেখিলা নন্দ-কুমাৰ।

নেন্ত চুৰি কৰি চিত্ত আমাৰ।।৪৭

হে কুৰুবক অশোক চম্পা।

কহিয়ো কথা কৰা অনুকম্পা।।

... ... ...

হে জাই যূথী সখী মালতী।।

কৃষ্ণ-পৰশে কি লভিলা গতি।।

... ... ...

হে আম জামু বেল বকূল।

নাহি উপকাৰী তোমাৰ তুল।। ( ৫ম কীৰ্তন)

(ঙ) **কুঁজীৰ বাঞ্ছাপূৰণ ঃ** এই খণ্ডটিত কুঁজীৰ গৃহ মন্দিৰৰ বৰ্ণনাত চন্দনৰ গন্ধযুক্ত মলয়া বতাহেৰে সুবাসিত; মালতী, চম্পা, শিৰীষ, অগৰু ইত্যাদি অসমৰ প্ৰাকৃতিক পৰিৱেশৰ পৰা সংগৃহীত ফুল গছৰ সমাহাৰেৰে শঙ্কৰদেৱে এটি ঘৰুৱা পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

(চ) **ঊৰেষা বৰ্ণন ঃ** একৈশটা কীৰ্তনত বিভক্ত খণ্ডটি উৰিষ্যাৰ পৰিবেশৰ আধাৰত অঙ্কণ কৰা হৈছে যদিও অসমীয়া লোকজীৱনৰ উপাদানেৰে খণ্ডটি পৰিপূৰ্ণ হৈ আছে। বিভিন্ন বৃক্ষ, ফল-ফুলেৰে আবেষ্টিত অগণন পক্ষী, হৰিণ, হাতীৰ বিচৰণভূমি, সৰোবৰত পদুম ফুলৰ ঠাৰি খাই থকা ৰাজহংসৰ জাক, পৰ্বতৰ

শিখৰৰ পৰা বৈ থকা জলাধাৰা, ময়ূৰ, কুলি ইত্যাদি চৰাইৰ কাকলি— এই সকলোখিনি অসমৰ অৰণ্যৰ সুলভ চিত্ৰ।[ক]

চিনাকি কীট-পতঙ্গৰ উদ্ধৃতিযুক্ত পদৰ ব্যৱহাৰো খণ্ডিত পোৱা যায়। বহু পূণ্যৰ বলত মানৱ জীৱন প্ৰাপ্ত হয়। মানৱ জীৱনে বহু সাংসাৰিক যান্ত্ৰণা বিভিন্ন জন্মৰ মাজেৰে পাৰ হৈ আহে। এই বিবিধ জন্মদশা নামত শঙ্কৰদেৱে চিনাকি জীৱৰ নাম উল্লেখ কৰিছে।

ক্ৰিমি কীট হস্তী ঘোঁৰা মৃগ বৃক্ষ পক্ষী।
গৰু উট মহিষ পশুক যত দেখি।।৯২
দ্বিজ শূদ্ৰ ধনী দুখী তপস্বী যতেক।
ৰাজ ৰাজ-ভৃত্য অন্যো মনুষ্য অনেক।।
সবাৰে গৃহত বাৰে বাৰে ভৈলো জাত।
অনেকৰ ভৈলো প্ৰভু ভৃত্য অসংখ্যাত।।৯৩ (৮ম কীৰ্তন)

৩.০২.২ **থলুৱা সাজসজ্জাৰ নাম থকা শব্দসম্ভাৰ ঃ**

**(ক) ধ্যান বৰ্ণন ঃ** এই কীৰ্তনটিত বিষ্ণুৰ অলংকাৰ, আভূষণ আদি সাজ-সজ্জাৰ বৰ্ণনাত ঘৰুৱা জীৱনৰ ছবি দেখা যায়।

(১) দেখিয় ৰত্নৰ পাকৰি নয়।
প্ৰকাশে তাতে নখ চন্দ্ৰ চয়।।
ৰতনে উজ্জ্বল উজণ্টি য'ত।
নুপূৰ প্ৰকাশে পাদপৃষ্ঠত।।১৩ (২য় কীৰ্তন)

পদফাকিৰ পাকৰি নয় (কুঁহিপাতৰ নিচিনা অথবা যঁতৰৰ শলাৰ দৰে আগলৈ জোঙা), উজন্তি, নুপূৰ শব্দকেইটি থলুৱা অসমীয়া ভাষাৰ চিনাকি শব্দ।[খ]

**প্ৰসঙ্গটোকা** (ক) ঃ বহুবিধ বৃক্ষ ফলে-ফুলে সুশোভিত। /নানাবিধ পক্ষীৰাৱ তেজে সুললিত।।২০
বিচিত্ৰ বিবিধ মৃগগণ চৰে তাতে। /অনেক দন্তাল আছে নন্দন বনতে।।
চাৰু সৰোবৰক পঙ্কজে আছে ৰঞ্জি। /ৰাজহংসে ভুঞ্জে তাত মৃণাল উভঞ্জি।।২১
পৰ্ব্বত যতেক আছে দেখি মনোহৰ। /উচ্চ শিখৰৰ পৰা বহৱে নিকৰ।
তেজে নাদ কোকিলে ময়ূৰ কাঢ়ে ৰাৱ। /বৃক্ষে পথুকক যেন দেয় হাত-বাৱ।।২২ (২য় কীৰ্তন)
(খ) পাকৰি ঃ বি. সূতলাহী; সূতা কাটোতে যঁতৰৰ শলাত মেৰাই যোৱা সূতাৰ সমষ্টি
(The ball of thread wound on a spindle)
উজণ্টি ঃ (বি'ভৰিত পিন্ধা এবিধ অলংকাৰ) (a kind of ornament worn on the feet)

সেইদৰে-

(২) নাসা তিল ফুল-সম-প্ৰকাশ।। (২য় কীৰ্তন)

(৩) গলত গলপতা সাতসৰী।

উৰে নৰগুণ পীত উত্তৰী।।

(৪) ললিত বলিত নীল মোলান।।

কেয়ূৰ কঙ্কন বলয়া তাতে।

প্ৰকাশে নৱ কিশলয় হাতে।।১৮ — আদি চিনাকি শব্দ সম্ভাৰ খণ্ডটিত পোৱা গৈছে।

(খ) **হৰমোহন ঃ** এই খণ্ডটিত ভগৱান বিষ্ণুৱে মোহিনী নাৰীবেশ ধাৰণ কৰাৰ যি সুন্দৰ প্ৰতিচ্ছবি শঙ্কৰদেৱে চিত্ৰকল্পৰ মাজেৰে অংকন কৰিছে, সেই নাৰী যেন উদ্ভিন্ন যৌৱনা এগৰাকী সৌন্দৰ্যময়ী অসমীয়া যুৱতীৰ দৰে। এগৰাকী অভিজাত অসমীয়া গাভৰুৱে কৰাৰ দৰে সেই নাৰীৰ সাজসজ্জা, প্ৰসাধন, অলংকাৰ প্ৰকৰণ।

কৰ্ণত কুণ্ডল লৰে তন হুলফল কৰে

গলে ৰত্ন-মালা ঝিকি পাৰে।

সুৱৰ্ণ কঙ্কনগণ সিও কৰে ঋণ ঝুন

প্ৰকাশে হৃদয় হেম-হাৰে।।৩১

কণ্ঠে লুলে সাতসৰী লয়-লাসে কাঢ়ে ভৰি

আগবাঢ়ি পাছ গুছি যান্ত।

পিন্ধি শাড়ী খোণ্টাজালি যেনে মৈৰা কৰে ছালি

হৰক কটাক্ষ কৰি চান্ত।। (৪ ৰ্থ কীৰ্তন)

৩.০২.৩ **জীৱিকাৰ পদ্ধতিৰ উল্লেখ থকা শব্দসমূহ ঃ**

(ক) **কংসবধ ঃ** কংসবধ খণ্ডটিত বৃত্তি অনুযায়ী বিবিধ শ্ৰেণীৰ মানুহৰ কাৰ্যাৱলীৰ বিৱৰণো পোৱা যায়। তাৰে কিছুমান প্ৰতিশব্দ অসমীয়া সমাজত থকালৈ চাই সম-সাময়িক সমাজত প্ৰচলিত বৃত্তিসমূহৰ প্ৰতিফলন বুলি ভাবিব পাৰি। কৃষ্ণই বলৰামৰ সৈতে মথুৰা নগৰীলৈ যাওঁতে পথত লগ পোৱা লোকসকলৰ কৰ্ম-জীৱনে লোকসমাজৰ জীৱিকাৰ পদ্ধতি স্পষ্ট কৰি দিছে। অসমৰ লোকসমাজ ব্যৱস্থাত বসবাস কৰা ভিন্ন বৃত্তিৰ প্ৰতিফলন এইদৰেই খণ্ডটিত পোৱা যায়- ধোবা (কাপোৰ ধোৱা মানুহ), বেশকাৰ (সাজসজ্জা

কৰাওঁতা) মালাকাৰ (মালী/ফুলৰ মালা প্ৰস্তুত কৰোঁতা/বাগিছা তদাৰক কৰোঁতা), সৈৰিন্ধ্ৰী (ৰাজগৃহত থকা ৰজা-ৰাণীক সাজপাৰ প্ৰসাধন আদিত সহায় কৰা নাৰী), বাণিজাৰু (বণিক বা মুদৈ)। এনে ভিন্ন বৃত্তিৰ মানুহেৰে অসমীয়া লোকসমাজ পৰিপূৰ্ণ হৈ আছিল বুলি ভাবিব পাৰি।[গ]

(খ) **কৃষ্ণ লীলামালা ঃ** এই খণ্ডটিত সমসাময়িক লোকসমাজৰ জীৱিকা পদ্ধতি এনেধৰণে দেখা পোৱা যায়।

(১) বিনিময় ভিত্তিক জীৱিকাৰ উদাহৰণস্বৰূপে পোহাৰী বৃত্তি লক্ষ্য কৰা যায়, (কোনে ফল লৈবেক পসাৰী দিলে ডাক। /ধান্য লৈয়া যান্ত ফল কিনিবাক।। ১ম কীৰ্তন)

(২) পশুপালন গৰখীয়া বৃত্তিৰ সেই সময়তো প্ৰচলন আছিল বুলি জনা যায়। কৃষ্ণৰ গৰখীয়া হিচাপে থকা পৰিচয় জনাজাত। (হুয়া গৰু গোৰক্ষ আপুনি পৰতেক। /সৰ্ব্ব-ৰূপে ব্ৰজত বঞ্চিলা বৰিষেক।।১৪ ১ম কীৰ্তন)

তদুপৰি ধোবা, বেশকাৰ, সৈৰিন্ধ্ৰী, মালী আদি থলুৱা জীৱনৰ জীৱিকা সম্পৰ্কীয় কেইবাটিও বৃত্তিৰ উল্লেখ আছে। (বধিলা ধোবাক চৰৰ-অস্ত্ৰে। /বেশকাৰে আসি তুষিলা বস্ত্ৰে।। ৩য় কীৰ্তন)

(গ) **বেদ-স্তুতি ঃ** খণ্ডটি তাত্ত্বিক বিষয়বস্তুৰে পৰিপূৰ্ণ। এই খণ্ডটিত কিছু কথাৰ উপমা শঙ্কৰদেৱে গ্ৰাম্য জীৱনযাত্ৰাত ব্যৱহৃত সঁজুলিৰ পৰাই দিয়াৰ প্ৰয়াস কৰিছে। যেনে- বিফলে জনম গৈল ভৈল সৰ্ব্বনাশ।/জীৱন্ততে মৰা সিটো ভাথিৰ নিশ্বাস।।৫ (১ম কীৰ্তন) অৰ্থাৎ পৰম দুৰ্লভ মনুষ্য জন্ম লাভ কৰি ভগৱানৰ শ্ৰৱণ-কীৰ্তন নকৰাজনৰ জীৱন নিষ্ফল, তেনেব্যক্তি কমাৰশালৰ ভাটিৰ উশাহ-নিশাহ লোৱা যন্ত্ৰসদৃশ জীৱন্ততে মৃত শৰীৰ।

(ঘ) **ঊৰেষা বৰ্ণন ঃ**

এই খণ্ডৰ পদত উল্লিখিত তেলী, মালী, শিলাকুটি, বনিয়া, সূতাৰ, কমাৰ, চিত্ৰকৰ, কুম্ভকাৰ প্ৰভৃতি দুটামান বৃত্তি অসমৰ জনগণৰ মাজত উপলব্ধ আছিল বুলি জনা যায়। খণ্ডটিত মধ্যযুগীয় সমাজ ব্যৱস্থাৰ বৃত্তি নিৰ্দেশিত অন্যান্য পদৰ উল্লেখো আছে; উক্ত বৃত্তিসমূহ বৰ্তমান সময়তো প্ৰযোজ্য।

যতেক বৃত্তিয়া মানে লগতে লড়িল।।
তেলী মালী শিলাকুটি বণিয়া সূতাৰ।

---

**প্ৰসঙ্গটোকা ঃ** (গ) *'পথত ৰাম-কৃষ্ণ মহাভাগ। /যাহান্তে ধোবাক পাইলন্ত লাগ।।*
*খুজিলন্ত বস্ত্ৰ মাতি ধোবাক। /দিয়ো ভাল বস্ত্ৰ বাছি আমাক।।৩১৮* (২৬শ কীৰ্তন)
(১) *বেশকাৰে আসি পিন্ধাই বস্ত্ৰক। /কছাইল ৰঙ্গে ৰাম-মাধৱক।।৩২৩* (২৬শ কীৰ্তন)
(২) *সুদামা নামে মালাকাৰ আছে। /তাহাৰ বাড়ীত পশিল পাছে।।*(২৬শ কীৰ্তন)
(৩) *সৈৰিন্ধ্ৰী বোলয় শুনিয়ো সুন্দৰ /মইতো কংসৰায়ৰ দাসী।।*
(৪) *বাণিজাৰু-গণে দোভাইক পূজিলা /অনেক দ্ৰব্য সামৰি। (২৭শ কীৰ্তন)*

চৰ্মকাৰ চড়াল কমাৰ কুম্ভকাৰ।।১৫

চিত্ৰকাৰ কংসাৰ কুন্দাৰ বৈদ্য য'ত।

অনেক কায়স্থ যায় ৰজাৰ লগত।।

নট ভাট নৰ্ত্তকী গায়ন অপৰ্য্যন্ত।

বিপ্ৰগণ নৃপতিৰ আগত চলন্ত।।১৬

পৃথিৱীৰ যতেক বৃত্তিয়াগণ আছে।

চৌত্ৰিশ জাতিয়ো যায় নৃপতিৰ পাছে।। (২য় কীৰ্তন)

প্ৰতিমা নিৰ্মাতা খনিকৰ বৃত্তি পৰম্পৰাগত ভাৱে অসমীয়া সমাজত আছে। মৃন্ময় মূৰ্তি নিৰ্মাণৰ লগে লগে কাঠত কাটি কাটি মূৰ্তি নিৰ্মাণৰ কলাকৌশল অসমীয়া শিল্পীৰ মাজত বৃত্তিগত বিভাগ হিচাপে গ্ৰহণ কৰা পৰিলক্ষিত হয়। মধ্যযুগীয় ৰাজকীয় সমাজৰ উপযোগীকৈ নাৰী সকলে প্ৰয়োজনবিশেষে বেশ্যাবৃত্তিও গ্ৰহণ কৰিব লগীয়া হৈছিল। এই শব্দটো প্ৰংসগ বিশেষে পোৱা গৈছে।[ঘ]

৩.০২.৪ **গ্ৰাম্য কথন শৈলীৰ ৰেঙণি ঃ**

(ক) **পাষণ্ড মৰ্দ্দন ঃ** শংকৰদেৱে ভক্তিধৰ্মত নিৰ্দেশী তথা হৰিভক্ত নিন্দুকসকলক শৃংখলিত কৰিবৰ বাবেই পাষণ্ড মৰ্দ্দন খণ্ডটি ৰচনা কৰিছিল। কিন্তু গ্ৰাম্য কথিত ভাষাৰ ব্যৱহাৰ আৰু ঘৰুৱা শব্দৰ সুপ্ৰয়োগ এই খণ্ডটিত দেখা যায়।

নাৰদে দিলন্ত তিনি কতপা।

নমানিবে আৰু কোননো লপা।।

নাৰদৰ বাণী শিলৰ ৰেখা।

বৃহত-নাৰদী বিচাৰি দেখা।।১২ (প্ৰথম কীৰ্তন)

উদ্ধৃত পদফাঁকিত ব্যৱহৃত কতপা আৰু লপা সম্পূৰ্ণভাৱে পুৰণি অসমীয়া গ্ৰাম্য ভাষাৰ পৰা বুটলি অনা শব্দ।

(খ) **অজামিল উপাখ্যান ঃ** এই খণ্ডটিতো গ্ৰাম্য কথনশৈলীৰ যথেষ্ট নিৰ্দশন লক্ষ্য কৰা যায়।

হাতে পাশ জৰী চক্ষু টেৰ কৰি

থূলন্তৰ তাৰ জাঙ্গ।

---

**প্ৰসঙ্গটোকা ঃ** (ঘ) *আষাঢ়ৰ শুক্লা পঞ্চমীত আমাসাক।/ সেহি মণ্ডপতে ৰথ থৈয়া বেশ্যাজাক।।*
*উৎসৱে বিঞ্চিবে চামৰক কৰে ধৰি।/ যতি সিদ্ধ সন্ন্যাসী থাকিবে তুতি কৰি।।১৫৫* (১৪শ কীৰ্তন)

কৃষ্ণ-বৰ্ণ কায় দেখি ধাতু যায়

হাতত লোহাৰ ভাঙ্গ।। (১ম কীৰ্তন)

সম্পূৰ্ণ গ্ৰাম্য সমাজৰ দৃষ্টিকোণেৰে যমদূতজনৰ চিত্ৰ অঙ্কন কৰা হৈছে। অজামিলৰ সন্মুখত হাতত জৰী, লোহাৰৰ ডাঙ্গ লৈ থূলন্তৰ চেহেৰাৰ ক'লা বৰণৰ চকু কেঁৰা কৰি উপস্থিত হোৱা যমদূত জন গ্ৰাম্য সমাজৰে প্ৰতিনিধি (সমসাময়িক সামন্তযুগীয় ৰজাৰ শাস্তি দিয়া দূতসকলক কল্পনা কৰি ল'ব পাৰি।)

চিত্তৰ শোধনে হৰিৰ কীৰ্তনে

পাপৰ আলু উভঞ্জে।।১১ (২য় কীৰ্তন)

চিত্ত শুদ্ধিৰ বাবে হৰি কীৰ্তন কৰাৰ লগে লগে পাপৰ নিৰ্মূল হয়। 'আলু উভঞ্জে' নিতান্তই জনজীৱনৰ ঘৰুৱা খণ্ডবাক্য। পাপৰ মূল শিপা উঘালি পেলোৱাৰ এক অনুপম ঘৰুৱা প্ৰকাশ পদটিত প্ৰকাশ পাইছে।

হৰি-নামে সৱ পাতক দহৰে

জ্ঞানে বা অজ্ঞানে বোলে।

যেন হুতাশনে শুখান কাষ্ঠক

আতি অপ্ৰয়াসে পোলে। (২য় কীৰ্তন)

হৰি নামে সকলো পাপ নিঃশেষ কিদৰে কৰে তাৰ সুন্দৰ উপমা শঙ্কৰদেৱে গ্ৰাম্য জীৱনৰ পৰাই বুটলিছে। অগ্নিয়ে শুকান কাঠক সহজে পোৰাৰ তুলনা অতি সাৰ্থকভাৱে ধৰ্মীয় চেতনাত প্ৰয়োগ কৰিছে।

কৃষ্ণৰ কীৰ্তন নকৰি থাকৱ

আনসে কথা চোবাই।

সিটো পাপীষ্ঠক ঝাণ্টে বান্ধি আন

লোহাৰ ডাঙ্গে কোবাই।।২৮ (৩য় কীৰ্তন)

কৃষ্ণৰ কীৰ্তন নকৰি অন্য কথাত সময় নষ্ট কৰা পাপীষ্ঠক বান্ধি আনি লোহাৰ ডাঙেৰে কোবাই শাস্তি দিয়া কথাৰ মাজত গ্ৰাম্য সমাজৰ গালি শপনিৰ প্ৰকাশভঙ্গী লক্ষ্য কৰা যায়। অমৃতসম কৃষ্ণ-কথাৰ চৰ্চা এৰি অন্য দিশত আলোচনা কৰাৰ তুলনা শঙ্কৰদেৱে গৰু-গাহৰিয়ে খাদ্য হিচাবে বিষ্ঠা গ্ৰহণ কৰাৰ লগত গ্ৰাম্য দৃষ্টিভঙ্গীৰেই কৰিছে।[৬]

---

**প্ৰসঙ্গটোকা ঃ** (৬) *কৃষ্ণ-কথা এড়ি সতে-পাঞ্চে বেঢ়ি*

*আন কথাকই থাকে।*

*অমৃতক এড়ি যেন <u>বিষ্ঠা ভুঞ্জে</u>*

*<u>গৰু শূকৰৰ</u> জাকে।।*(৩য় কীৰ্তন)

(গ) **বলিছলন ঃ** এই খণ্ডটিত ভক্তিৰ মহত্ত্ব ভক্তিময় স্থান ৰূপে গঢ়ি তুলিলে। ভক্তিৰ মহত্ত্ব প্ৰকাশক বাণী তথা উপদেশমূলক পদ কিছুসংখ্যকত গ্ৰাম্য জীৱন পৰোক্ষভাৱে ফুটি উঠিছে। উদাহৰণ স্বৰূপেঃ

(১) আটাসত গল ফাৰে যেন কাণে সূচি তাড়ে
সৰ্ব্বদায়ে শুনে হৰি কথা। (২য় কীৰ্তন)

আটাসত গল ফাৰে অৰ্থাৎ চিঞৰত ডিঙি ফলাৰ আৰু কাণত বেজিয়ে বিন্ধাৰ উপমা গ্ৰাম্য লোকসমাজৰ পৰাই বুটলি লোৱা কথন শৈলী।

(২) পাতকে শুনিবে নেদে যেন কিলাই কোবাই খেদে
দুষ্ট শঠ অধৰ্ম্মীজনক।।১৬ (২য় কীৰ্তন)

ইয়াত 'কিলাই', 'কোবাই' আদি শব্দ লোকসমাজত বিশেষ চিনাকি।

(৩) কীৰ্তনত চিত্ত নেদি গ্ৰাম্য কথা কৰে যদি
তাহাৰ কাণত সূচি তাড়ে।
হৰি-ভকতিক এড়ি হাসে উপহাস্য কৰি
চৰৰতে তাৰ গাল ফাড়ে।। (৩য় কীৰ্তন)

কাণ টহ্টহ্াই যোৱা আৰু চৰত গাল ফালি দিয়াৰ কথন লোকজীৱনৰ চিনাকি সূত্ৰৰ পৰাই উপলব্ধ হৈছে।

### ৩.০২.৫ সামাজিক লোকাচাৰ প্ৰকাশক বাণীভঙ্গিমা ঃ

(ক) **চৰ্তুবিংশতি অৱতাৰ বৰ্ণনা ঃ** এই খণ্ডটিত ভগৱান বিষ্ণুৰ মৎস্য, কুৰ্ম, নৰসিংহ, বামন, পৰশুৰাম, হলীৰাম, বৰাহ, শ্ৰীৰাম, বুদ্ধ, কল্কী— এই দহটি প্ৰধান অৱতাৰকে ধৰি মুঠ ২৪ অৱতাৰৰ বিষয়ে উল্লেখ আছে। ইয়াৰে বিশেষকৈ শ্ৰীৰাম অৱতাৰত সামাজিক লোকাচাৰৰ বৈশিষ্ট্য লক্ষ্য কৰা যায়।

ছ্ৰিৰীৰাম-ৰূপে কৌশল্যাত অৱতৰি।
বনবাস খপিলা পিতৃৰ বাক্য ধৰি।। (২য় কীৰ্তন)

উক্ত অৱতাৰত পৰিয়াল কেন্দ্ৰিক লোকাচাৰৰ মৰ্যদা সংৰক্ষিত হৈছে। এখন পুৰুষ তান্ত্ৰিক সমাজত একোটি পৰিয়ালত পিতৃক সদায় উচ্চ আসন দিয়া হয়। পিতৃৰ আজ্ঞা কোনো সন্তানে সাধাৰণতে অমান্য নকৰে। ভগৱানৰ অৱতাৰ শ্ৰীৰামচন্দ্ৰই পিতৃবাক্য পালন কৰি ৰাজপ্ৰসাদ ত্যাগ কৰি বনবাস খাটিছিল। ইয়াত পোৱা যায় ভাৰতীয় তথা অসমীয়া লোকজীৱনৰ পৰিয়ালৰ মাজত পুৰণি কালৰে পৰা নিহিত থকা

কৰ্তব্য নিষ্ঠা আৰু দায়বদ্ধতাৰ শিক্ষা।

(খ) **কংসবধ ঃ** অসমীয়া সমাজৰ পৰিয়াল কেন্দ্ৰিক লোকাচাৰৰ ইংগিতো কংসবধ অধ্যায়টিত পোৱা যায়। কংসবধৰ পাছত কাৰাগাৰৰ পৰা বসুদেৱ দৈৱকীক মুক্ত কৰি কৃষ্ণই—

ছোড়িলা বন্ধন হৰি পিতৃৰ মাতৃৰ।
কৰিলা বন্দন দুইকো পাৱে ছুয়া শিৰ।। (৩৩শ অধ্যায়)

এইদৰে পিতৃ-মাতৃৰ পাৰস্পৰ্শ কৰি আশিস লোৱাৰ পৰম্পৰা ভাৰতীয় কথা অসমীয়া লোকাচাৰৰ অৰ্ন্তগত।

(গ) **কুঁজীৰ বাঞ্ছা পূৰণ ঃ** এই খণ্ডটিত অসমীয়া সমাজৰ পৰম্পৰাগত লৌকিক লোকাচাৰ কুঁজীৰ ব্যৱহাৰত পৰিলক্ষিত হয়।

আসনে বৈসাই সাদৰে কৃষ্ণক
পূজিল যুৱতী ৰঙ্গে।।
উদ্ধৱক আতি সতকাৰ কৰি
আসন দিলা বঢ়াই।
আসনক মান্য কৰি হাতে দিয়া
বসিল মাটিত যাই।।৫

অসমীয়া সমাজত কোনো পৰিয়াললৈ অতিথি আহিলে সন্মান সহকাৰে আসন আগবঢ়াই দিয়া, বিশিষ্ট অতিথিজনক আসনত বহাই নিজে মাটিত বহাৰ শিষ্টাচাৰ কুঁজীৰ ব্যৱহাৰত ফুটি উঠিছে। তদুপৰি তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সমাজৰ পৰম্পৰাগত লোকাচাৰ। তামোলেৰে ৰঙা কৰা ওঠ গাভৰু সকলৰ অন্যতম প্ৰসাধনৰ অংগ আছিল। সৈৰিন্ধ্ৰীয়ে দিব্য বস্ত্ৰ-অলংকাৰ পৰিধান কৰি আৰু চন্দন-কুঙ্কমেৰে নিজক সজ্জিত কৰি কৃষ্ণৰ সমীপলৈ *"কৰ্পূৰ-তাম্বুল ভূঞ্জি অনুৰাগে"* গমন কৰিছে। এই বৰ্ণনা তাৎপৰ্যপূৰ্ণ।

(ঘ) **অক্ৰূৰৰ বাঞ্ছা-পূৰণ ঃ** এই খণ্ডটিত অসমীয়া সমাজৰ অতিথি সৎকাৰৰ পৰম্পৰা উক্ত পদফাঁকিত পৰিস্ফুট হৈছে। সন্মানীয় অতিথিজনক ভৰি ধোওৱাপানী পবিত্ৰ বুলি গণ্য কৰাৰ পৰম্পৰা অসমীয়া সমাজত আছে।

আসনে বৈসাই তিনিকো আৰ্চ্চিল
অক্ৰূৰে বিস্ময় হুই।।

দোভাইৰ পাৰক        পখালি শিৰত

লৈয়া পাদোদক-জল।।

(ঙ) **স্যমন্তক হৰণ ঃ** এই খণ্ডটিৰ কাহিনীৰ লগতো পৰম্পৰাগত অসমীয়া লোকসমাজৰ বিবাহ অনুষ্ঠানৰ মিল লক্ষ্য কৰা যায়। বিশেষকৈ যৌতুক প্ৰথাৰ উল্লিখন খণ্ডটিত আছে।

শুনি আনন্দিত জাম্বৱন্ত মহাশয়।।৩৮

তানে কন্যা-ৰত্ন আছে নামে জাম্বৱতী।

কৃষ্ণক বিবাহ দিলা ৰঙ্গে ঋক্ষপতি।।

লগত যৌতুক আনি দিলন্ত স্যমন্ত।

পৰম আনন্দ দেখি ভৈলা ভগৱন্ত।।৩৯ (৬ষ্ঠ কীৰ্তন)

(চ) **নাৰদৰ কৃষ্ণদৰ্শন ঃ** পৰম্পৰাগত সামাজিক লোকাচাৰৰ চিত্ৰ এই খণ্ডটিত বহু পৰিমাণে লক্ষ্য কৰা যায়। দ্বাৰকাত শ্ৰীকৃষ্ণই ষোড়শ হাজাৰ কন্যা একেদিনাই বিবাহ কৰালে, প্ৰত্যেক কন্যাৰ বাবে সমশৰীৰ ধাৰণ কৰি কৃষ্ণই নিজৰ সাংসাৰিক জীৱন দ্বাৰকাত প্ৰতিষ্ঠা কৰিলে। ইয়াত অলৌকিকতা বিৰাজমান। কিন্তু কৃষ্ণৰ সাংসাৰিক জীৱন যাত্ৰাত পৰম্পৰাগত গ্ৰাম্য সমাজৰ প্ৰতিচ্ছবি ফুটি উঠিছে। দিব্য সৰোবৰ, পুষ্পিত বন, চিনাকি পক্ষীৰ কলৰৱ, চম্পা পাৰিজাত ফুলৰ গন্ধেৰে সুবাসিত দ্বাৰকানগৰীত শ্ৰীকৃষ্ণৰ ষোড়শ হাজাৰ 'সূৰ্য্য-সম জ্বলি থকা দীপ্ত দিব্য গৃহ। সেই সমূহৰ মধ্যত উপবিষ্ট এটি গৃহত শ্ৰীকৃষ্ণ ৰুক্মিণীদেৱীৰ সঙ্গে বাস কৰিছে। অন্য এটি গৃহত লক্ষ্মীদেৱীৰ সৈতে নিবাস, অন্য এটি গৃহত অন্য এগৰাকী ভাৰ্য্যাৰ সঙ্গে এইদৰে শ্ৰীকৃষ্ণই নাৰদৰ সন্মুখত অলৌকিক ভাৱে মায়া সংসাৰ উপস্থাপন কৰিছে। কিন্তু বাস্তৱিকতে স্বাভাৱিক সংসাৰ যাত্ৰাৰ সূক্ষ্ম দিশ কিছুমান লৌকিক দৃষ্টিৰে খণ্ডটিত পৰিলক্ষিত হয়। এই খণ্ডত প্ৰকাশ পোৱা লোকাচাৰ সমূহ হ'ল—

১. অতিথি শুশ্ৰূষা        ২. ব্ৰহ্ম ভোজন        ৩. গায়ত্ৰীজপ

৪. অস্ত্ৰ চালনা        ৫. ধেনু দান        ৬. বিবাহ

৭. কন্যাদান

পৰম্পৰাগত ভাৱে চলি অহা অসমীয়া সমাজৰ একোটি পৰিয়ালৰ উক্ত লোকাচাৰৰ পৰিচয় কৃষ্ণৰ প্ৰতিটি গৃহৰ কাৰ্যকলাপে বহন কৰে।

(১) নাৰদক দেখি উঠিলা হৰি।

প্ৰণামিলা পাৱে শিৰে সাদৰি।।২২

কৃতাঞ্জলি তুতি বুলিলা বাণী।

আপুনি আসনে বৈসাইলা আনি।।

লক্ষ্মীদেন্ত ভৃঙ্গাৰ ধৰি।

ধুৱাইলা ঋষিৰ চৰণ হৰি।।২৩

লৈলা পাদোদক শিৰত আনি। (৩য় কীৰ্তন)

— পদফাঁকিত অসমীয়া গ্ৰাম্য সমাজৰ অতিথি সৎকাৰৰ লোকাচাৰ পৰিস্ফুট হৈছে। গৃহত বিশিষ্ট অতিথিৰ প্ৰৱেশ ঘটিলে গৃহস্থই অতিথিৰ প্ৰতি আগবঢ়োৱা আচাৰ-আচৰণ নাৰদৰ প্ৰতি ভগৱান আৰু লক্ষ্মীদেৱীৰ ব্যৱহাৰত ফুটি উঠিছে। গৃহস্থই অতিথিক যথাযোগ্য সন্মান প্ৰদৰ্শন কৰি আমন্ত্ৰণ কৰি অনা, ভৰি ধুবলৈ পানী যতনাই দিয়া, বয়োজ্যেষ্ঠ জনক সন্মান সহকাৰে সেৱা-অৰ্চনা কৰাটো অসমীয়া লোকসমাজৰ পূৰ্বৰে পৰা চলি অহা বিশিষ্ট ৰীতি।

(২) আউৰ ঘৰে গৈয়া দেখন্ত ঋষি।

কৰন্ত গোৱিন্দে হোম হৰিষি।।

ব্ৰহ্ম-ভোজ দেন্ত কতো গৃহত।

ভুজন্ত আনি অৱশেষ যত ।।৩২ (৪ৰ্থ কীৰ্তন)

(৩) কতো গৃহে আছা সন্ধ্যা উপাসি।

গায়ত্ৰী জপ মৌন হুয়া বসি।।

ছাড়ন্ত খাণ্ডা বাৰু কতো ঘৰে।

কতোহো ফুৰন্ত ৰথ উপৰে।।৩৩ (৪ৰ্থ কীৰ্তন)

অসমীয়া সমাজ ব্যৱস্থাত প্ৰত্যেক সন্ধিয়া সময়ত ধূপ-ধূনা দি সময়ত মিঠাতেল শলিতাযুক্ত চাকিবন্তি জ্বলাই ভগৱানক প্ৰাৰ্থনা কৰাটো নিয়মিত সদাচাৰ। উক্ত সদাচাৰকে নাৰদে প্ৰত্যক্ষ কৰা কৃষ্ণ-গৃহত পালন কৰা দেখা গৈছে।

(৪) অনেক বিপ্ৰ অনাই দামোদৰে।

কৰন্ত ধেনু-দান কতো ঘৰে।। (৪ৰ্থ কীৰ্তন)

অসমীয়া সমাজত পাৰম্পৰিকভাৱে সকাম আদি পাতি বিপ্ৰ-ব্ৰাহ্মণক গো-দান কৰাৰ নিয়ম আছিল।

(৫) কতো ঘৰে আতি উৎসৱ কৰি।
কৰন্তে পুত্ৰৰ বিবাহ হৰি।।
বিহা দেন্ত কন্যা কৈতো মুৰাৰি।
দুনাই আনন্ত কৈতো বহাৰী।।৩৯ (৪ৰ্থ কীৰ্তন)

পিতৃ হিচাপে আনন্দ উৎসৱ কৰি পুত্ৰকন্যাৰ বিবাহৰ আয়োজন, গৃহলৈ বোৱাৰী অনাৰ চিত্ৰ চিনাকি অসমীয়া পৰিয়ালৰে। এইদৰে অসংখ্য ঘৰুৱা জীৱনৰ লৌকিক চিত্ৰ নাৰদে কৃষ্ণৰ সাংসাৰিক জীৱনত প্ৰত্যক্ষ কৰিছে। অসমীয়া লোকজীৱন এনে চিত্ৰৰ লগত পৰিচিত; চিনাকি অসমীয়া গাৰ্হস্থ্য জীৱনে শঙ্কৰদেৱৰ পদাৱলীক সমৃদ্ধ কৰিছে।

(ছ) **দামোদৰ বিপ্ৰাখ্যান ঃ** বন্ধু বা মিতিৰ কুটুম্বৰ ঘৰলৈ সাধাৰণতে খালী হাতেৰে যোৱা নাযায়। দৰিদ্ৰ জনেও কিবা এটা লৈ যাবলৈ বিচাৰে। তেনে ছবি এখন এই খণ্ডত প্ৰকাশ পাইছে।

ভাৰ্য্যাক বোলন্ত যি পাৱা সন্দেশ
আনি দিয়া ঝাণ্টে উঠি।
শুনিয়া ব্ৰাহ্মণী মাগি আনিলন্ত
চাউল-চিৰা চাৰিমুঠি।।৪
কানিৰ টুপলি বান্ধি আনি দিলা
ব্ৰাহ্মণে কাখত লৈলা।
কৃষ্ণৰ চৰণ দেখিবাক মনে
দ্বাৰকাক লাগি গৈলা।। (১ম কীৰ্তন)

অতিথি শুশ্ৰূষা কৰাৰ পৰম্পৰাগত প্ৰবৃত্তি শ্ৰীকৃষ্ণৰ আচৰণত প্ৰকাশ পাইছে। দ্বাৰকাত কৃষ্ণৰ গৃহত প্ৰৱেশৰ লগে লগে দামোদৰ বিপ্ৰৰ প্ৰতি কৃষ্ণই কৰা আচৰণে অসমীয়া পৰিয়ালৰ অতিথি সৎকাৰৰ লোকাচাৰৰ ঐতিহ্য বহন কৰে।

সখিক আলিঙ্গি আতি প্ৰীতি পাইলা
আনন্দে লোতক ঝৰে।

সোণাৰ খাটত বসুৱাইলা আনি
ধৰিয়া আতি সাদৰে।।৭
আপুনি চৰণ ধুৱাইলা বিপ্ৰৰ
পাদোদক লৈলা শিৰে।
সুগন্ধি চন্দন কুঙ্কুমে সখিৰ
ঘষিলা সৱ শৰীৰে।।
দীপ ধূপ লগাই পূজিলা বিপ্ৰক
কৰ্পূৰ তাম্বুল দিয়া।
সাদৰে চামৰে বিঞ্চন্ত বিপ্ৰক
সব্যা মাধৱৰ প্ৰিয়া।।৮ (১ম কীৰ্তন)

অসমীয়া লোকসমাজত অতিথিক তামোল-পাণৰ বঁটা আগবঢ়াই দিয়াটো পাৰম্পৰিক লোকাচাৰ। বিবিধ মাংগলিক কৰ্মত তামোল-পাণৰ ব্যৱহাৰ অপৰিহাৰ্য। এনে লোকাচাৰ কীৰ্তন-ঘোষাৰ পদৰ মাজত সংৰক্ষিত হৈছে।

(জ) **কৃষ্ণ-লীলা-মালা ঃ** এই খণ্ডটিত প্ৰথমেই জন্ম সম্পৰ্কীয় লোকাচাৰ লক্ষ্য কৰা যায়। শিশু কৃষ্ণৰ জন্মৰ পাছত নন্দ-যশোদাই বিধি অনুসৰি জাত-কৰ্ম্ম কৰাইছে।

দেখি পুত্ৰ-মুখ নন্দে আনন্দ বিহ্বল।
তনয়ৰ জাত-কৰ্ম্ম কৰাইলা সকল।। (১ম কীৰ্তন)

খণ্ডটিত কৃষ্ণই সত্ৰাজিতৰ পৰা অপবাদ স্যমন্তক মণি উদ্ধাৰৰ পাছত ঋক্ষৰাজ জাম্বৱন্ত কন্যা জাম্বৱতীক বিবাহ কৰাওঁতে যৌতুক হিচাপে স্যমন্তক মণি লাভ কৰাৰ কথাও উল্লেখ আছে। মণি লাভৰ পাছত সত্ৰাজিতেও কন্যা সত্যভামাক কৃষ্ণৰ লগত বিয়া দিছে আৰু স্যমন্তক মণি যৌতুক হিচাপে কৃষ্ণক পুনৰ সন্মান সহকাৰে প্ৰদান কৰিছে। ইয়াত অসমীয়া সমাজৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ ৰক্ষিত হৈছে।[চ]

(ঝ) **শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ-প্ৰয়াণ ঃ** এই খণ্ডটিত বিপ্ৰক ভোজন, শ্ৰাদ্ধ, সহমৰণ প্ৰথাৰ উল্লেখ আছে। বিপ্ৰক ভোজন কৰাই মহাদান কৰিলে পূণ্য প্ৰাপ্তিৰ লোকবিশ্বাস পৰম্পৰাগতভাৱে অসমীয়া সমাজত আছে।

---

**প্ৰসঙ্গটোকা** (চ) ঃ *মণি হেতু জাম্বৱন্ত জিনি যদুপতি*
*স্যমন্তক সমে পাইলা কন্যা জাম্বৱতী।।*
*সত্ৰাজিতে দিলে সত্যভামা ভয়ত।*
*মণিক যৌতুক দিলা কন্যাৰ লগত।।৫৮* (চতুৰ্থ কীৰ্তন)

এনে পাৰম্পৰিক বিশ্বাস খণ্ডটিৰ পদত প্ৰকাশ পাইছে।

বিপ্ৰক ভোজন কৰাই দেওঁ মহাদান।।

দান-পূণ্যে হুয়ো মহা দুৰ্গতি নিস্তাৰ।

যেন মহা নাৱে সাগৰত কৰে পাৰ।।২২ (২য় কীৰ্তন)

অৰ্জুনে মৃতকৰ বিধিৰত শ্ৰাদ্ধাদি সম্পন্ন কৰিছে। (প্ৰেতকাৰ্য জ্ঞাতিৰ কৰাইলা মহাৰথ/অনুক্ৰমে দিয়াইলন্ত পিণ্ড জলাঞ্জলি।। (ত্ৰয়োদশ কীৰ্তন) ইয়াৰ লগে লগে পৌৰাণিক সমাজৰ এটি ভয়াবহ ৰীতিও খণ্ডটিত বৰ্ণিত হৈছে; সেয়া হ'ল মৃত স্বামীৰ লগত সহমৰণৰ বিধি। ভগৱান কৃষ্ণৰ সতে পৰমাৰ্থিক মিলনৰ হেতু গভীৰ ভক্তিময় আৰধনাৰে কৃষ্ণপত্নীবৃন্দই নিজক অগ্নিত উৎসৰ্গা কৰিছে। অসমত এই প্ৰথাই বিশেষ বিস্তৃতি লাভ কৰা নাছিল। কিন্তু স্বামীৰ মৃত্যুৰ পাছত স্বামীৰ চিতাত আত্মজাহ দিয়া প্ৰথাক পবিত্ৰ বুলি গণ্য কৰা হৈছিল। (১২শ কীৰ্তন)(ছ)

খণ্ডটিত সন্নিবিষ্ট 'অৰ্জুন-যুধিষ্ঠিৰ' সংবাদত কৃষ্ণবিয়োগৰ বাতৰি পাই অৰ্জুন শোকবিহ্বল হৈছে। প্ৰবাসৰ পৰা আহি যুধিষ্ঠিৰৰ ৰাজসভাত উপস্থিত হোৱা শোকসন্তপ্ত অৰ্জুনক যুধিষ্ঠিৰে শোকৰ কাৰণ সোধোতে তেওঁ যিবোৰ কাৰ্য সামাজিক বিধিমতে নিষিদ্ধ; সেইসমূহৰ উল্লেখেৰে পৰোক্ষভাৱে সামাজিক লোকাচাৰ ব্যক্ত কৰিছে।

প্ৰাৰ্থকক নেদিলাহা প্ৰতিশ্ৰুত দান।

নকৰিলা প্ৰাণীক ভয়ত পৰিত্ৰাণ।।১৫৪

অতিথিক নেদি কিবা কৰিলা ভোজন।

সিজিল পাতক কিবা অগম্য-গমন।।

অধমে জিনিলে কিবা আসন্তে পথত।

কিসক মিলিল বাপ দুঃখ হেনসত।।১৫৫ (১৩শ কীৰ্তন)

ইয়াত সমাজত ক্ষত্ৰিয়জনে পালন কৰিব লগীয়া নিয়মৰ নিৰ্দেশাৱলী আছেঃ যেনে- (১) বিপ্ৰ, ৰোগী, বালক, স্ত্ৰী আদি দুৰ্বল শ্ৰেণীৰ মানুহক/শৰণাগতকক সহায় কৰা, (২) অতিথি সৎকাৰ কৰা, (৩) অগম্যাগমন নিষিদ্ধ, (৪) প্ৰতিশ্ৰুতি অনুযায়ী বাক্য ৰক্ষা কৰা; ইত্যাদি। উক্ত সমূহ নিৰ্দেশাৱলীয়ে পৰোক্ষভাৱে সামাজিক ব্যৱস্থাত সহযোগিতামূলক জীৱন নিৰ্বাহ পদ্ধতিত লোকাচাৰ প্ৰভৃতি নিৰ্দেশিত কৰে।

---

প্ৰসঙ্গটোকাঃ (ছ) *স্বামীক আলিঙ্গি আৰোহিলন্ত চিতাত।।*
*ৰেৱতী প্ৰমুখ্যে যত আছে নাৰীগণ।*
*ৰামক আলিঙ্গি প্ৰৱেশিলা হুতাশন।।১৪* (১২শ কীৰ্তন)

### ৩.০২.৬ **গাৰ্হস্থ্য জীৱনৰ চিত্ৰ প্ৰকাশক ৰাণীভঙ্গিমা ঃ**

(ক) **প্ৰহ্লাদ চৰিত্ৰ ঃ** এই খণ্ডটিত হিৰণ্য কশিপু আৰু প্ৰ াদৰ পিতৃ-পুত্ৰৰ এখন ঘৰুৱা চিত্ৰ কৰি শঙ্কৰদেৱে অঙ্কন কৰিছে -

(১) একদিনা দৈত্যেন্দ্ৰে পুত্ৰক কোলে লই।
কিবা পঢ়ি আছা বুলি আনন্দে সোধয়।।
কাক ভাল মান বাপ কহিয়ো সত্বৰে।
বুলিলন্ত প্ৰহ্লাদে পিতৃক অনন্তৰে।।১১৫ (১১শ কীৰ্তন)

(২) আন বেত কোবাই মাৰো অৰে দুৰাচাৰ।
মন্দবুদ্ধি আমাৰ অনাইলি ক্ষিলিঙ্কাৰ।।
উপজিলি তই দৈত্য-কূলৰ কণ্টক।
ভৈলি বিষ্ণু পক্ষ ক্ষয় কৰিলি কুলক।।১২১ (১১শ কীৰ্তন)

(৩) গুৰুৰ পুত্ৰক চাহি দৈত্যপতি
পাৰিবে লাগিব গালি।
শুন ৰে অধম ব্ৰাহ্মণ শিশুক
এহিসে পাঠ শিকাইলি।। (১২শ কীৰ্তন)

উদ্ধৃত পদ কেইফাঁকিত এখন সমাজৰ শিশুসকলৰ শিক্ষাব্যৱস্থাৰ চিত্ৰ প্ৰতিভাত হৈছে। দৈত্যপতি হিৰণ্যকশিপুয়ে মৰমেৰে প্ৰ াদৰ শিক্ষাৰ খতিয়ান লৈছে আৰু সেয়া মনোমত নোহোৱাৰ বাবে প্ৰ াদক দৈত্য কূলৰ কণ্টক বুলি ককৰ্থনা কৰিছে। অৱশেষত দৈত্যকূলৰ স্বভাৱ বিৰোধ, বিসদৃশ পাঠ শিকাইছে বুলি প্ৰ াদৰ শিক্ষাগুৰু সকলকো 'অধম ব্ৰাহ্মণ' বুলি অশেষ ককৰ্থনা কৰিছে। এই চিত্ৰ এখন পৰম্পৰাগত অসমীয়া সমাজৰ পঢ়াত মন নিদিয়া সন্তানৰ প্ৰতি পিতৃৰ খঙৰ অভিব্যক্তি প্ৰকাশক স্বাভাৱিক চিত্ৰ।

(খ) **শিশুলীলা ঃ** 'কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ' পদৰে আৰম্ভ কৰা কীৰ্তনৰ খণ্ডটিত ভগৱান বিষ্ণুৰ ৰূপ বন্দনাৰ পৰা আৰম্ভ কৰি তেওঁৰ শিশুৰূপৰ বিভিন্ন চিনাকি চিত্ৰ লোকজীৱনৰ পৰিৱেশৰ পটভূমিত অঙ্কন কৰা হৈছে। আঁঠুকাঢ়ি বগাবলৈ শিকা, থিয়দঙা দি খোজ কাঢ়ি উমলি থকা ইত্যাদি শিশুৰ স্বাভাৱিক বিকাশৰ বিভিন্ন স্তৰ কৃষ্ণৰ শিশুৰূপৰ মাজত প্ৰত্যক্ষ কৰা হৈছে। তদুপৰি শিশুৰ দুষ্টামি আৰু চল-চাতুৰীৰ অন্যান্য দিশ সমূহো চেমনীয়া কৃষ্ণ চৰিত্ৰৰ মাজত প্ৰকাশ পাইছে। উৎপতীয়া কৃষ্ণই সমনীয়াৰ

লগত সমগ্র অঞ্চলটোত বিভিন্ন উপায় অৱলম্বন কৰি দধি-দুগ্ধ-লৱণুলৈ নিজেও খাইছে আৰু বান্দৰকো খুৱাইছে। উৰলত উঠি শিকিয়াৰ পৰা দৈৰ ভাণ্ড নমাই আনি সমনীয়া, বানৰ সকলোকে বিলাইছে। কৃষ্ণৰ এই ধৰণৰ উৎপাতবোৰত অতিষ্ঠ হৈ ওচৰ-চুবুৰীয়া গোৱালীবৃন্দই যশোদাৰ আগত গোচৰ দিয়াত কৃষ্ণই সভয়ে মাতৃৰ কোলাত আশ্রয় লৈছে।[জ]

শিশু কৃষ্ণৰ নন্দ-যশোদাৰ গৃহত লীলাৰ মাজত অসমীয়া সমাজৰ এখন সহজ-সৰল গ্রাম্য প্রতিচ্ছৱি ফুটি উঠিছে। শিশু অৱস্থাৰ পৰা ক্রমশঃ ডাঙৰ হোৱা, ল'ৰালিৰ দুষ্টামিৰ একোখন মৰম লগা আৰু স্বাভাৱিক চিত্র খণ্ডটিত ফুটি উঠিছে। কেনমাটি খাইলি অৰে গোপাল। / কোবাই আজি তোৰ ফাৰিবো ছাল।।/শুনিয়া কৃষ্ণৰ হৰিল মাত।/চক্ষু টেৰ কৰি মাৰক চান্ত।।২৪ (৩য় কীৰ্তন)

কৃষ্ণই মাটি খোৱা অপবাদ শুনি যশোদা মাতৃয়ে কৰা এনে প্রতিক্রিয়া লোক জীৱনৰে এক অবিচ্ছেদ্য অংগ। এয়া যেন এগৰাকী সর্তক মাতৃয়ে নিজৰ শিশুক কৰা মাতৃসুলভ শাসন। দুষ্টামি কৰা শিশুক 'কোবাই আজি তোৰ ফাৰিবো ছাল।' বুলি ভয় খুওৱাৰ এক অনুশাসনমূলক প্রয়াস। পিছমুহূৰ্ততে কিন্তু মাতৃ যশোদা ভয়াৰ্ত্ত কৃষ্ণৰ মুখ দেখি পুত্ৰস্নেহত ব্যথিত হৈ পৰিছে। কৃষ্ণক কোলাত লৈ কিয় মাটি খালে সেই কথা স্বাভাৱিক মমতাৰে সুধিছে। সেইদৰে- ভাণ্ড ভাঙ্গি আৱে যাইবি কথা।/খাইবো আজি কৃষ্ণ তোৰ মাথা।। (৪ৰ্থ কীৰ্তন) — এই উদ্ধৃতিও গ্রাম্য জীৱনৰ সাধাৰণ কথনশৈলী গাখীৰৰ পাত্ৰ ভাঙি ক'ত পলাই সাৰিবি, আজি কৃষ্ণ তোৰ মাথা খাম''— এয়া সাধাৰণ পৰিয়াল এটিৰ মূল্যবান বস্তু নষ্ট কৰাৰ বাবে দুষ্টশিশুক কৰা মাতৃৰ স্বাভাৱিক ককৰ্থনা।

ইয়াৰ পাছত কালি-দমন অণুখণ্ডত এজাক গোপ-বালকৰ স্বাভাৱিক জন-জীৱনৰ চিত্র দেখিবলৈ পোৱা যায়। কৃষ্ণই গোপশিশুসকলৰ সৈতে গৰু চৰাই যমুনাৰ তীৰত তৃষ্ণাতুৰ অৱস্থাত উপস্থিত হৈছে। পুৰণি অসমীয়া জনসমাজত গো-পালন এক মুখ্য জীৱিকা হিচাপে স্বীকৃত হৈ আহিছে। গতিকে চেমনীয়া গৰখীয়া ল'ৰাৰ বিলাকে নদীৰ পাৰত, বনৰ মাজত, পথাৰত গৰু চৰাই ফুৰাটো লোকজীৱনৰ স্বাভাৱিক দৃশ্য। কালী হ্ৰদৰ পানী খাই গোপবালকবৃন্দ বিষক্রিয়াত আক্রান্ত হৈছে। কৃষ্ণই কালিক দমন কৰিবৰ নিমিত্তে ওখ কদম গছৰ পৰা হ্ৰদৰ মাজলৈ জাপ দিয়াৰ চিত্ৰও ঐশ্বৰিকতাখিনি একাষৰীয়াকৈ থৈ গ্ৰাম্য জীৱনৰ সাঁতুৰিব জনা গৰখীয়া ল'ৰাৰ দুপৰীয়াৰ গৰমৰ পৰা মুক্তি পোৱাৰ উপায়ৰ লগতে ৰিজাব পাৰি।

**প্রসঙ্গটোকা ঃ** (জ) (১) *আণ্ঠু কাঢ়ি ৰিঙ্গ পাড়ি-ফুৰা ব্ৰজমাঝে।।/সোণাৰ ঘাঘৰচয় কঙ্কালত বাজে।।* (২য় কীৰ্তন)
(২) *বানৰকো খুৱাৱে গোবিন্দ কিনো চাণ্ড।/বানৰে নখান্ত জানি কোবাই ভাঙ্গে ভাণ্ডা।।* (২য় কীৰ্তন)

(গ) **ৰাসক্ৰীড়া ঃ** এই খণ্ডটিত অসমীয়া গ্ৰাম্য সমাজত সততে দেখা-পোৱা জীৱ-জন্তুৰ বিৱৰণতো লোকজীৱনৰ প্ৰতিবিম্ব পৰিলক্ষিত হৈছে। গৰখীয়াই বাঁহী বা পেঁপাৰ মাতত গৰু-গাই চপাই অনাৰ দৰে কৃষ্ণৰ সুললিত বাঁহীৰ সুৰধ্বনিয়ে পোহনীয়া আৰু বনৰ সকলো প্ৰাণীকে আকৰ্ষিত কৰে।বাংশীৰ নিস্বনে হৰি ডাকি আনা ধেনু /শুনি তৰু-লতা প্ৰেমে পুলকিত তনু।। (১৬শ কীৰ্তন)

স্বয়ং ভগৱানে গৰখীয়াৰ চৰিত্ৰত অৱতীৰ্ণ হৈ মধুৰ বাংশীধ্বনি কৰি তেওঁ গৰু বিলাক একত্ৰিত কৰে। সাধাৰণ লোকজীৱনৰ প্ৰতিনিধিত্ব কৰি কৃষ্ণই গো-পালন কৰাৰ সুন্দৰ চিত্ৰ অঙ্কিত হৈছে এইদৰে- এক প্ৰিয় গোপৰ কান্ধত হস্ত থই /গৰুক গণন্ত কদাচিতো মণি লই।। /পিন্ধিয়া গলত গন্ধ-তুলসী মালাক। /যেৱে সেহি বেলাত বাংশীৰ দেন্ত ডাক।।১৯০। এখন সহজ-সৰল গ্ৰাম্য সমাজত গো-পালক যুৱকে কেনেদৰে জীৱন-যাপন কৰে, গৰুক গোধন তুল্য কৰি আদৰ-যত্নৰে প্ৰতিপালন কৰে, তাৰেই সূক্ষ্ম চিত্ৰ পদসমূহত দেখুওৱা হৈছে। কীৰ্তন-ঘোষাৰ ভক্তিময় ৰসাস্বাদনৰ লগে লগে গাঁৱলীয়া জীৱন নিৰ্বাহৰ চিত্ৰ পদসমূহত সাৰ্থক ভাৱে ৰূপায়ন কৰা হৈছে। বনত চৰাবলৈ নিয়া গৰুৰ সংখ্যা সঠিককৈ আছেনে হিচাপ ৰখা, গৰুৰ মাজত আবৃত হৈ থকা, সন্ধ্যাবেলা সকলো গোধন একেলগে কৰি গৃহলৈ লৈ অনাৰ চিত্ৰ গ্ৰাম্য জীৱনৰ চিৰাচৰিত দৃশ্য।

একেটি খণ্ডতে গোপীসকলে এৰি অহা কামৰ চিত্ৰণ অসমীয়া থলুৱা জীৱনৰ অংগ। গোপীয়ে গাইগৰুৰ গাখীৰ খীৱোৱা, ৰান্ধনীশালত চৌকাত গাখীৰ গৰম কৰা, শিশুক স্তনপান কৰাই থকা, পতি শুশ্ৰূষা কৰা— প্ৰভৃতি সকলো চিত্ৰপটতে অসমীয়া গ্ৰাম্য জীৱনশৈলী পৰিলক্ষিত হয়। কতো গোপী যায় গাই দোহনক এড়ি। /আখাতে থাকিল দুগ্ধ চৰু সৈতে পড়ি। (১ম কীৰ্তন)

(ঘ) **কংসবধ ঃ** অসমীয়া লোকজীৱনৰ জনপ্ৰিয় চৰিত্ৰ নাৰদৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ পৰা সমাজৰ টুটকীয়া সকলক 'নাৰদ' বোলা হৈ আহিছে, নামনি অসমৰ কাৰোবাৰ মিছা কথাৰ বাবে হ'বলগীয়া বিয়া ভাঙিলে তাক 'নাৰদ নমা' বোলা হয়।নাৰদৰ ইঠাইৰ কথা আনি সিঠাইত কোৱাৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ (গৈলন্ত নাৰদ ঋষি কংসৰ সমাজ।/ নিচিন্তি আছস কেনে এভো ভোজৰাজ।।/ তোক মাৰিবাক লাগি দেৱৰ যতন।/ দৈৱকীৰ গৰ্ভে উপজিলা নাৰায়ণ।।২৩০) প্ৰসঙ্গত অসমীয়া লোকজীৱনৰ কিছু দিশো প্ৰতিফলিত হয়। টুটকীয়া মানুহে গাঁৱত কন্দল লগায়।কন্দল লাগিলে মানুহৰ বিবেচনা শক্তি বাঢ়ে আৰু সাৱধান হ'বলৈকো শিকে। লোকজীৱনৰ ফকৰা-যোজনাত থকা আপ্ত বাক্য এনেধৰণৰ- 'টুটকীয়া নহ'লে গাঁও নবহে। লাগনী নহ'লে জুই নজ্বলে।' এইদৰে খণ্ডটিত চিৰাচৰিত গ্ৰাম্য সমাজজীৱনৰ গাৰ্হস্থ্য কন্দলৰ চিত্ৰও লক্ষণীয়।

(ঙ) **স্যমন্তক হৰণ ঃ** এই খণ্ডটিত গ্রার্হস্থ্য জীৱনৰ কিছুমান স্বাভাৱিক প্রতিক্রিয়া লক্ষ্য কৰা যায়। শিশুক ধাইয়ে ওমলোৱাৰ আচৰণ প্রত্যক্ষ কৰা হয়, (স্যমন্তক মণি গৰ্ত্তক নিলা।/উমলাইবে লাগি শিশুক দিলা।।১৪/বিচিত্র মণিগোট ধৰি ধাই।/বাটত শিশু ফুৰে উমলাই।। ২য় কীৰ্তন)। ধায়ে বিচিত্র স্যামন্তক মণি লৈ শিশুসকলক ওমলোৱাৰ দৃশ্য অসমীয়া পৰিয়ালৰ পৰাই আহৰিত। শিশুসকলে চকমকীয়া বস্তুৰে খেলি ভাল পায় আৰু এয়া পৰম্পৰাগত লোকজীৱনৰে অঙ্গ।

সেইদৰে মুখবাগৰি বিয়পা কুৎসা ৰটনাৰ উল্লেখো খণ্ডটিত পোৱা যায়। সত্রাজিতে শ্রীকৃষ্ণক শত্রুজ্ঞান কৰি কৃষ্ণই নির্জন বনত ভ্রাতৃ প্রসেনক হত্যা কৰি মণিটো নিলে বুলি অপযশ দিলে। খণ্ডটিত অসমীয়া সমাজব্যৱস্থাৰ অন্য জটিল মনস্তাত্ত্বিক দিশো অধ্যায়টিত লুকাই আছে। এইয়া হ'ল— সমাজত কোনো এটা বিসদৃশ কাম অন্যধৰণে হৈ যোৱাৰ পাছত সেই দিশত জড়িত থকা নির্দোষী ব্যক্তিক সন্দেহবশতঃ কুৎসাৰটনা কৰাৰ এক পৰম্পৰাবাদী সামাজিক চৰিত্র অতীজৰ পৰাই বর্তমানলৈকে সমাজত বর্তি আহিছে। সেই বিশেষ নির্দোষী ব্যক্তিজনে নিজক শুদ্ধ প্রমাণ নকৰালৈকে অপযশমুক্ত নহয়। খণ্ডটিত সত্রাজিতে ভ্রাতৃপ্রসেনৰ মৃত্যুৰ বাবে শ্রীকৃষ্ণক দায়ী কৰিছে; কিয়নো কৃষ্ণই স্যমন্তক মণি বিচাৰোঁতে সত্রাজিতে দিয়া নাছিল আৰু সত্রাজিতে ধাৰণা কৰি ল'লে কৃষ্ণই নিজান বনত ভ্রাতৃক হত্যা কৰি মণি হস্তগত কৰি ল'লে।

স্যমন্তক পিন্ধি গৈল বনক ভৈয়াই।
জানিলো মাৰিলে কৃষ্ণে নির্জ্জনত পাই।।১৬
খুজি নেপাই ভাইক মাৰি কৃষ্ণে নিল মণি।
শুনি সৰ্ব্বলোকে আকে কৰে কণাকণি।। (৩য় কীর্তন)

'সৰ্ব্বলোকে আকে কৰে কণাকণি' পংক্তিটোত গ্রাম্য জীৱনৰ স্বভাৱগত পৰিচয় লুকাই আছে। যিকোনো কথা গোপনে নাথাকে, 'ইকান সিকান সহস্র কাণ' (গোপন কথা ইকান সিকানকৈ বহুতৰ কাণত পৰে) প্রবাদ বাক্যৰ দৰে জনসমাজত কোনো কথাৰ সূত্রপাত হ'লে সর্বত্র জনাজাত হৈ পৰে।

(চ) **কৃষ্ণ লীলা মালা ঃ** খণ্ডটিত প্রথমেই শিশুৰ স্বতঃস্ফূর্ত ব্যৱহাৰৰ পৰিচয় লাভ কৰা যায়। *(নাচ বুলি পাইঞ্চে গোপী বজায়া চাপৰি।/কৰিলন্ত নৃত্য ভঙ্গী-ভাৱে দেৱ হৰি।।৭)*। শিশুয়ে মনে বিচৰা বস্তু সময়ত নাপালে কোপিত হৈ বিভিন্ন কাম কৰে। শিশু কৃষ্ণ আৰু মাতৃ যশোদাৰো চৰিত্রত একেই বৈশিষ্ট্য লক্ষ্য কৰা যায়। *(শিলা হানি দধিৰ ভাঙ্গিলা সৰে ভাণ্ড।।/ সেহি অপৰাধে ধৰি বান্ধিলা সুন্দৰী)*। মাতৃয়ে সেই অপৰাধৰ পৰিণামস্বৰূপে শিশুক শাস্তি প্রদান কৰে। শিশুয়ে শাস্তিমুক্ত হ'বলৈ যিকোনো উপায়েৰে চেষ্টা

কৰে- এইয়া সমাজৰ সাধাৰণ পৰিয়াল এটিৰ মাতৃ-সন্তানৰ মাজৰ সম্পৰ্কৰ স্বাভাৱিক প্ৰবৃত্তি। কৃষ্ণ-যশোদাৰ চৰিত্ৰত মাতৃ-পুত্ৰৰ আবেগিক বান্ধোন, খং-ৰাগ, মৰম-স্নেহ সকলো খিনি স্বাভাৱিক জন জীৱনৰ মাতৃ-সন্তানৰ সম্পৰ্কৰ দৰেই পৰিস্ফুট হৈছে।

খণ্ডটিত প্ৰেম বিষয়ক সামাজিক স্থিতিৰ বিষয়েও কিছু পৰিমাণে উল্লেখ আছে। লোকজীৱনৰ অন্যতম আবেগিক চৰিত্ৰ হ'ল যৌৱন প্ৰাপ্ত নৰ-নাৰীৰ প্ৰণয়জনিত দিশ। কৃষ্ণ আৰু ৰুক্মিণীৰ গভীৰ প্ৰেমৰ সূক্ষ্ম দিশ ৰুক্মিনীয়ে গোপনে প্ৰেম-পত্ৰ লিখি কৃষ্ণলৈ প্ৰেৰণ কৰা প্ৰচেষ্টাত লৌকিক সমাজৰ ডেকা-গাভৰুৰ প্ৰেমৰ জীৱন প্ৰত্যক্ষ কৰা যায়।

ৰুক্মিণী পঠাইলা গোপ্য প্ৰেম-পত্ৰ লিখি।
আতি সকৰুণ ভৈল কৃষ্ণে তাঙ্ক দেখি।।৫৫ (৩য় কীৰ্তন)

স্বামী-স্ত্ৰীৰ শৃংখলাবদ্ধ গাৰ্হস্থ্য জীৱনৰ চিত্ৰও ইয়াত লক্ষ্য কৰা যায়। লৌকিক জন-জীৱনৰ পৰিচিত ছবি নিশা শয়নৰ অন্তত প্ৰাতঃকালত পক্ষীৰ কাকলিত মানুহৰ নিদ্ৰাভংগ হয়। পুৱা স্নানাদি নিত্যকৰ্ম কৰি সাত্ত্বিকভাৱে দান কৰাৰ কথাই অসমীয়া লোকজীৱন আভ্যন্তৰীণ লোকাচাৰক নিৰ্দেশ কৰে। কৃষ্ণ আৰু কৃষ্ণপত্নীৰ মাজৰ সৌহাৰ্দ্যমূলক আচৰণ আৰু নিত্যকৰ্মৰ লোকজীৱনৰ শৃংখলাবদ্ধ দিশসমূহ প্ৰত্যক্ষ কৰা হয়।(ৰজনীৰ শেষ জানি ৰাৱে পক্ষীচয়।/নাৰীগণো হোৱে কৃষ্ণ-বিৰহত ভয়।।৭১/কুকুৰা আৰাৱ কৰে তাকো পাৰে গালি।।/উঠি নিত্য-কৃত্য পাছে কৰি বনমালী।। (৫ম কীৰ্তন)

স্বামী-স্ত্ৰীৰ মাজৰ গাৰ্হস্থ্য প্ৰেম-পৰিহাসৰ চিত্ৰও খণ্ডটিত পোৱা যায়। শ্ৰীকৃষ্ণই পত্নী সত্যভামাৰ প্ৰতি থকা প্ৰীতিৰ বাবেই স্বৰ্গৰ পৰা পাৰিজাত ফুল আনি সত্যভামাৰ গৃহৰ দুৱাৰৰ সন্মুখত ৰোপণ কৰিছে। অন্যগৰাকী পত্নী ৰুক্মিণীৰ লগত প্ৰেম-পৰিহাসমূলক আচৰণ কৰি স্বাভাৱিক জনসমাজৰ পৰিয়ালৰ স্বামী-স্ত্ৰীৰ মাজৰ প্ৰেম অভিমান জনিত সম্পৰ্কক নিৰ্দেশিত কৰিছে। (স্বৰ্গৰো আনিলা হৰি পুষ্প পাৰিজাত।/দ্বাৰত ৰুৱাইলা সত্যভামাৰ সাক্ষাত।।৬২ (৫ম কীৰ্তন)

৩.০২.৭ **লোকমনৰ স্বৰূপ প্ৰকাশক ভাষা শৈলী ঃ**

(ক) **শিশুলীলা অনুখণ্ড কালি-দমন ঃ** কালি হ্ৰদত মৃতকৰ বেশ প্ৰত্যক্ষ কৰি মাতৃ যশোদা আৰু পিতৃ নন্দৰ শোকৰ বৰ্ণনাত লোকসমাজৰ এহাল সাধাৰণ পিতৃ-মাতৃৰ সন্তানৰ কষ্ট-মৃত্যু আশঙ্কাত যান্ত্ৰণাৰ স্বৰূপ ফুটি উঠিছে।

যশোদা সুন্দৰী নন্দ গোৱালে।

পাড়ন্ত লোটাৰি পড়ি নিঢ়ালে।।

কি ভৈল পুত্ৰ বুলি উকি দিয়া।

দুহাতে ঝাৱলে ঢাকুৰে হিয়া।।১৩৬ (৯ম কীৰ্তন)

(খ) **প্ৰহ্লাদ চৰিত্ৰ ঃ** বৈকুণ্ঠ নগৰীত বিনা অনুমতিত প্ৰৱেশ কৰা চাৰি সিদ্ধক দেখি হোৱা দ্বাৰৰক্ষী দুজনৰ খঙৰ অভিব্যক্তি লোকসমাজৰ তেনেই চিনাকি। বিপৰীত পক্ষক ওঁঠ কঁপাই, কপাল সংকুচিত কৰি চোৱা দৃষ্টি চিৰাচৰিত জনসমাজৰ প্ৰতিচ্ছবি। এনে খঙৰ অভিব্যক্তি প্ৰকাশ পোৱা লোকজীৱনৰ পৰা আহৰিত উপমা, সম্বলিত পদ আমি খণ্ডটিত দেখা পাঁও।

(১) ঝংকাৰে মাথ কৰি আতি দৰ্প।

লাঠি পাইযেন ফোঙ্কাৰে সৰ্প।।১৭২ (১৬শ কীৰ্তন)

নৰসিংহ অৱতাৰৰ চৰিত্ৰতো এনে লোকজীৱনৰ পৰা আহৰিত উপমাৰে খঙৰ অভিব্যক্তি প্ৰকাশ পাইছে।

(২) সৰ্পে যেন ধৰি ইন্দুৰ।

নিশৱদ দানৱ দ্বন্দুৰ।। (১৮শ কীৰ্তন)

(৩) যেহেন সৰ্পক পাৱে ভিৰি।

গৰুড়ে পেলাইলা ঠোটে ছিৰি।।১৯৯ (১৮শ কীৰ্তন)

(গ) **গোপী-উদ্ধৱ সংবাদ ঃ** শঙ্কৰকবিয়ে স্বাভাৱিক লোকমনৰ শোক-প্ৰেম-বিৰহ-খং সকলোখিনি সূক্ষ্মভাৱে এই খণ্ডটিত বিৰহিণী গোপী সকলৰ চৰিত্ৰত সংযোজিত কৰিছে। বিশেষকৈ অভিমান সুলভ খং আৰু শোকৰ অভিব্যক্তি প্ৰকাশ পাইছে। যেনে-

**শোক ঃ** কৈসানি দেখিবো মুখ প্ৰভুৰ।।২১

পড়িল কান্দন্তে চক্ষুৰ পানী।

**খং ঃ** ইবাৰ কিবা মাংস নেয় কাটি।

মৰিল কংস দিবে পিণ্ড বাটি।।

ডাকিয়া পাৰে অক্ৰুৰক গালি।

হা কৃষ্ণ বুলি কান্দে গোৱালী।।৮ ইত্যাদি।

(ঘ) **স্যমন্তক হৰণ ঃ** এই খণ্ডটিত লোকজীৱনৰ সূক্ষ্মতম সুখ-দুখৰ পৰিচয়ো খণ্ডটিত পোৱা যায়। স্যমন্তক

মণি বিচাৰি গৈ কৃষ্ণ বাৰদিন পৰ্যন্ত উলটি নহা দেখি কৃষ্ণৰ মৃত্যু আশঙ্কাত পিতৃ-মাতৃ, বসুদেৱ, দৈৱকী পৰিয়ালবৰ্গ শোকত ব্যথিত হৈ পৰিছে।

শোকে যায় প্ৰাণ ফুটি।
ভূমিত পাৰন্ত লুটি।।
পুত্ৰ হৰুৱাওঁ জোনো।
শ্যামল সুন্দৰ তনু।।৪৩ (৭ম কীৰ্তন)

এনেধৰণৰ পঙক্তিয়েও শোকসন্তপ্ত পৰিয়ালৰ চিনাকি চিত্ৰ কঢ়িয়ায়।

৩.১০২.৮ **লোকজীৱনৰ অন্যান্য চিত্ৰ সম্বলিত শব্দৰ প্ৰয়োগ ঃ**

(ক) **নাম-অপৰাধ ঃ** কীৰ্তন-ঘোষাৰ দুটি কীৰ্তনযুক্ত এই খণ্ডটিত সমসাময়িক অৰাজক ধৰ্মীয় লোকজীৱনৰ চিত্ৰ প্ৰকাশক বৰ্ণনাশৈলী পোৱা যায়। এনে পটভূমিতে শঙ্কৰদেৱে ধৰ্মপ্ৰচাৰ কৰিছিল।

সদায়ে এড়িল আচাৰ ধৰ্ম্ম।
নভৈল যাৰ কিছো জাত কৰ্ম্ম।।৬
শঠ-বুদ্ধি যিটো জগতে বঞ্চে।
দম্ভ-অহংকাৰ সদা নুগুচে।।
সুৰাপানি চাটু কৰে চাণ্ডাল।
নিষ্ঠুৰ বাক্য বোলে সৰ্ব্বকাল।।৭ (১ম কীৰ্তন)

এইচাম মানুহেও লোকজীৱনৰ এটা দিশ আৱৰি ৰাখে আৰু সামাজিক জীৱন বিশৃংখলাপূৰ্ণ কৰি তুলিব পাৰে। সুৰাপায়ী, মিথ্যাবাদী, অহংকাৰী, ব্যভিচাৰী ইত্যাদি কুপ্ৰবৃত্তিয়ে সমাজক বিপথে পৰিচালিত কৰে। এনেলোকৰো শুদ্ধৰণিৰ একমাত্ৰ মাধ্যম হৰিনাম।

(খ) **ৰাসক্ৰীড়া ঃ** এই খণ্ডটিত গভীৰ প্ৰেমবশতঃ গভীৰ নিশাৰ বাধাকো নেওচি যমুনাৰ তীৰত কৃষ্ণৰ সমীপত উপস্থিত হোৱা গোপীসকলক তেওঁ উলটি যাবলৈ উপদেশ দিছে। কৃষ্ণই গোপীসকলক তিনিপ্ৰকাৰ যুক্তিৰ মাজত নিহিত আছে পৰম্পৰাগত সমাজব্যৱস্থাত। গভীৰ নিশা নাৰীসকল বনৰ মাজত থকা ভয়ৰ কথা; তেওঁলোকলৈ প্ৰেত-পিশাচৰ পৰা প্ৰাণৰ সংশয় আহিব; স্বগৃহত পিতৃ-মাতৃ চিন্তিত হ'ব আৰু তাতোকৈ ডাঙৰ কথা ধৰ্মীয় নৈতিকতাৰ ধাৰণা। "উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম্ম।" অসমীয়া সমাজ ব্যৱস্থাৰ নৈতিক মূল্যবোধ। নিজ স্বামীৰ শুশ্ৰূষাকহে কুলস্ত্ৰীৰ মহাধৰ্ম বুলি নিশ্চিত কৰা হৈছে।

(গ) **জৰাসন্ধৰ যুদ্ধ ঃ** অসমীয়া সমাজত কাঠৰ গড় নিৰ্মাণ কৰা হৈছিল। তাৰ সাদৃশ্য এই খণ্ডত পোৱা যায়। সেইদৰে পদাতিক শব্দৰ থলুৱা ৰূপৰ ব্যৱহাৰো লক্ষ্য কৰা হৈছে। (কাঠগড় বান্ধি বঞ্চিল ৰাতি।/নাছে গাৱে ৰঙ্গে যত পয়াতি।। (১ম কীৰ্তন)

(ঘ) **কালযৱন-বধ ঃ** এই খণ্ডটিতো গড় বন্ধা আৰু গড়ৰ দুৱাৰ দৃঢ়ৰূপে নিৰ্মাণ কৰাৰ উল্লেখ পোৱা যায়। এই উল্লেখ অসমৰ সুৰক্ষা ৰীতিৰ সাদৃশ্য বহন কৰে।(আকাশ লঙিঘয়া আছে গড়ৰ দুৱাৰ।/স্ফটিক-কপাট তাৰ পাশত সোণাৰ।।) অসমৰ ৰজাসকলে সমসাময়িক সমাজত নিৰাপত্তাজনিত কাৰণত ৰাজ্যত গড় বন্ধাৰ কথা বুৰঞ্জী পুথিসমূহত পোৱা যায়।

(ঙ) **দামোদৰ বিপ্ৰাখ্যান ঃ** প্ৰাচীন ভাৰতৰ বহু ঠাইৰ দৰে অসমতো টোলকেন্দ্ৰিক শিক্ষা ব্যৱস্থা আছিল। গতিকে এই খণ্ডৰ গুৰুগৃহৰ ব্যৱস্থাও অসমীয়া সমাজৰ অচিনাকি নাছিল।

গুৰুপত্নী গণে আসি আমাক বুলিলা হাসি
খড়ি লুড়ি দিয়া শিষ্যগণ।
আমিসৰো হেন শুনি কটিত বান্ধিয়া ভুনি
আনন্দে লড়িলো ৰঙ্গ-মন।।১০
অৰণ্যৰ পশি সান্ধি খড়ি লুড়ি বোঝা বান্ধি
গৃহক চলিলো ৰঙ্গমনে। (২য় কীৰ্তন) — এই প্ৰাকৃতিক পৰিঘটনাৰ বৰ্ণনাই অসমীয়া লোকজীৱনত আকৃষ্ট কৰিছিল।

(চ) **কৃষ্ণ-লীলা-মালা ঃ** বনজুই, তীব্ৰ ধুমুহা, ব্ৰজপাত, বৰষুণ, সূৰ্যগ্ৰহণ আদি জনজীৱনে সততে মুখামুখি হোৱা প্ৰাকৃতিক দুৰ্যোগৰ চিত্ৰণো কীৰ্তন-ঘোষাৰ এই খণ্ডটিত পৰিস্ফুট হৈছে।

(১) ব্ৰজৰ প্ৰজা বন-জুইত মৰে।
ত্ৰাহি কৃষ্ণ বুলি আৰাৱ কৰে।।
নাহি ভয় বুলি অগ্নিক পিলা।
ব্ৰজক গৈলা গজেন্দ্ৰৰ লীলা।।১৮ (২য় কীৰ্তন)
(২) কৰিলা বৃষ্টি ইন্দ্ৰে ক্ৰোধ কৰি।
ৰাখিলা ব্ৰজ গোবৰ্দ্ধন ধৰি।।

(৩) সৰ্ব্বগ্ৰাস সূৰ্য্যৰ গ্ৰহণ আসি ভৈলা। (২য় কীৰ্তন)

সমস্তে নৃপতি কুৰুক্ষেত্ৰে গৈলা।।৯৫ (৭ম কীৰ্তন)

(ছ) **উৰেষা বৰ্ণন ঃ** মধ্যযুগীয় সমাজৰ অৰাজক ধৰ্মীয় পৰিস্থিতিত উদ্ভৱ হোৱা ধৰ্মৰ নামত অমানৱীয় প্ৰথাৰ বিৱৰণো এই খণ্ডটিত পোৱা যায়। হয়তো এনে ধৰ্মীয় পৰিস্থিতিৰ বাবেই 'ভক্তি ধৰ্ম'ৰ উদ্ভৱ হৈছিল- সন্ধ্যা আচৰি কৰি সূৰ্য্যক বন্দন।

তিলে জলে বিধিৰতে কৰিব তৰ্পণ।।

শৰীৰত থৈয়া তিল পিতৃক তৰ্পয়।

ৰুধিৰ মাংসক সৰে পিতৃক অৰ্পয়।।২০১ (২৯শ কীৰ্তন)

সেইদৰে উৎসৱ পাৰ্বনৰ চিত্ৰও খণ্ডটিত পোৱা যায়। ফাগুন মাহত দৌল উৎসৱৰ আয়োজনৰ বিৱৰণ শঙ্কৰদেৱে সাৱলীল ভাৱে দিছে। অসমীয়া সমাজত পৰম্পৰাগতভাৱে দৌল উৎসৱ আজি পৰ্যন্ত অব্যাহত আছে। দৌল উৎসৱ লোকউৎসৱ ৰূপে প্ৰতিষ্ঠিত।

ফাল্গুনীত গোৱিন্দক তুলিয়া দৌলত।

দৌল-যাত্ৰা কৰে মহোৎসৱে সিবেলাত।।

তাত গোৱিন্দক যত্নে দেখে যিটোজনে।

গোবিন্দৰ পুৰে সিও বঞ্চে ৰঙ্গমনে।।২০৭ (২০শ কীৰ্তন)

**পৰিশিষ্টত অন্তৰ্ভুক্ত হোৱা কীৰ্তন-ঘোষাৰ খণ্ড পাঁচটিত পৰিলক্ষিত হোৱা লোকজীৱন সম্পৰ্কেও আলোচনা কৰা হ'লঃ**

(১) **সহস্ৰনাম বৃত্তান্ত** (ৰত্নকাৰ কন্দলি) ঃ ৰত্নাকৰ কন্দলি কৃত এই খণ্ডটিত থলুৱা প্ৰয়োগ লক্ষ্য কৰা যায়। জীৱিত কালত ভগৱান বিষ্ণুৰ গুণানুকীৰ্তন নকৰিলে জীৱন বৃথা যোৱাৰ কথা কবিয়ে লোকজীৱনৰ কথিত ভাষাৰ পৰা সংগৃহীত উপমাৰেই সুন্দৰভাৱে দিছে। হৰি কথা নুশুনা কাণ দুখন দুটা গাঁতৰ দৰে, ৰামনাম নোলোৱা জিভা ভেকুলীৰ জিভাৰ দৰে অৰ্থহীন বুলি কবিয়ে কৈছে। হৰি ভক্তিৰে তুলসীৰ সুগন্ধি নোলোৱা নাকো কমাৰশালৰ ভাঠিৰ দৰে যন্ত্ৰবৎ বুলি কবিয়ে উপলব্ধি কৰিছে।(কৰ্ণ দুই আছন্ত নুশুনিলো হৰি-কথা।/দুগোটা গৰ্ত্তৰ ভাৰ বহিলোহো বৃথা।।১.../জিহ্বা মোৰ আছন্ত নলৈলো ৰাম-নাম।/দাদুৰীৰ জিহ্বা যেন কৈলো কোন কাম।।.../হৰি পদ তুলসীৰ নলৈলোহো ঘ্ৰাণ।/জীৱন্তে মৰিলো নাসা ভাঠিৰ সমান।।৩ (১ম কীৰ্তন)

(২) **ঘুনুচা কীৰ্তন** (শ্ৰীধৰ কন্দলি) ঃ শ্ৰীধৰ কন্দলি কৃত এই খণ্ডটিত অসমীয়া সমাজৰ পৰম্পৰাগত বিবাহজনিত লোকাচাৰ লক্ষ্য কৰা যায়। *দুৰ্ব্বাক্ষত সিঞ্চি পূৰ্ণ ঘটক থাপিলা। উপৰত আম-ডালি পুষ্প-সাৰি দিলা।।* (দ্বিতীয় কীৰ্তন) সেইদৰে বাদ্য-যন্ত্ৰৰ ব্যৱহাৰৰ ক্ষেত্ৰটো থলুৱা বাদ্য-যন্ত্ৰৰ উল্লেখ পোৱা যায়।

(১) কাহালী মহৰী ঢাক ঢোল ভেৰী
অসংখ্য যন্ত্ৰ বজাই।
কৃষ্ণৰ কীৰ্তন কৰিয়া উৎসুকে
ফাঁকু-গুৰি সিঞ্চৰাই।। (১ম কীৰ্তন)

(২) বাৰে ঢাক ঢোল ভেৰী মৃদঙ্গ খঞ্জৰী।।
তাল কৰতাল বাৰে কৃষ্ণক আৱৰি।। (২য় কীৰ্তন)

তদুপৰি জাতি-বৃত্তিৰ পৰিচয়সূচক শব্দৰ ব্যৱহাৰো খণ্ডটিৰ বিশেষত্ব।

(৩) যতেক পৰিচা পাণ্ডা নিৰন্তৰে
কৃষ্ণৰ সঙ্গে চলিলা।। (১ম কীৰ্তন)

(৪) পৰম আনন্দে নটী নৃত্য কৰে
চপয় পঢ়য় ভাটে। (১ম কীৰ্তন)

পুনৰ খণ্ডটিত গ্ৰাম্য জীৱনৰ স্বাভাৱিক সতিনীসুলভ কথনশৈলী লক্ষ্মীদেৱীৰ বাক্যত প্ৰকাশ পাইছে।

(৫) পুনু পুনু দেৰোঁ হাক নুশুনয় মোৰ বাক
কিনো ভৈল লুভীয়া টেটোন।।৫৪
... ... ...
এতেকেসে চলি যাওঁ আসে নাসে পুছি চাওঁ
সতিনীৰ মাথে দেও জুই।।৫৫
আজি গৈয়া লাগ পাইবো সতিনীৰ মুণ্ড খাইবো
কৰিবো উচিত যাদৱাৰ। (৩য় কীৰ্তন)

(৩) **ৰুক্মিণীৰ প্ৰেম-কলহ** ঃ চাৰিটি কীৰ্তনত বিভক্ত খণ্ডটিত সাধাৰণৰ লোকজীৱনৰ স্বামী-স্ত্ৰীৰ মাজৰ

পৰিহাস-প্ৰণয়মিশ্ৰিত সম্পৰ্কৰ দৰেই কৃষ্ণ আৰু ৰুক্মিণীৰ পাৰিবাৰিক সম্পৰ্কৰ চিত্ৰ অঙ্কন কৰা হৈছে। সাধাৰণ জীৱনৰ পাৰিবাৰিক প্ৰেমৰ পৰিহাসৰ দৰেই কৃষ্ণই ৰুক্মিণীক জিজ্ঞাসা কৰিছে—

কোন গুণ দেখি মোক কৰিলা সুন্দৰী।।
... ... ...
পিতৃ মাতৃ ভ্ৰাতৃৰ বচন নুশুনিলা।।
প্ৰলয়-জলৰ বাটপথ নাহি ভালে।
আমি স্বামী ভৈলে সুখ নাহি কোনোকালে।।৭
তোৰ ভাই ৰুক্ম শিশুপাল জৰাসন্ধ।
সিসৱাৰ মদগৰ্বব কৰিবাৰ অন্তঃ।।
সিকাৰণে ৰুক্মিণী আনিলো তোক হৰি।
যৈকে ইচ্ছা তুমি তৈকে যোৱা শীঘ্ৰে কৰি।।৮ (১ম কীৰ্তন)

এইয়া গ্ৰাম্য সমাজৰ প্ৰেমিক স্বামীৰ পৰিহাসসময় অভিমানযুক্ত বাণী। পত্নীৰ সতে ধেমালিযুক্ত প্ৰণয় কৌতুক ৰুক্মিণীৰ আচৰণত পতিব্ৰতা নাৰীৰ লক্ষণ প্ৰকাশ পাইছে। স্বামীৰ প্ৰতি প্ৰেম-অনুৰক্তা ৰুক্মিণীৰ চাৰিত্ৰিক বৈশিষ্ট্য পৰম্পৰাগত লোকসমাজৰ নাৰীসকলৰে চাৰিত্ৰিক বিশেষত্ব।

### ৩.০২.৯ **কীৰ্তন-ঘোষাত ব্যৱহৃত গালি-শপনিসূচক মাতকথাৰ প্ৰয়োগ ঃ**

কীৰ্তন-ঘোষা অসমীয়া সমাজৰ ধৰ্মীয় বৈষ্ণৱ সংস্কৃতিৰ এক এৰাব নোৱাৰা সম্পদ। শঙ্কৰদেৱৰ কৃত পুথিখনিৰ প্ৰতিটো অধ্যায়ত লোকজীৱনৰ সূক্ষ্ম কাৰ্যৱলীৰ বিৱৰণ নিহিত হৈ আছে। পূৰ্বোক্ত আলোচনাত গ্ৰাম্য সমাজত ব্যৱহৃত ধৰ্মীয় ফকৰা-যোজনা, ভকতীয়া প্ৰবাদ-প্ৰবচন ইত্যাদিৰে কীৰ্তন-ঘোষাত কিদৰে ব্যৱহাৰ হৈছে দেখুওৱা হৈছিল। নাম প্ৰসঙ্গমূলক পুথিখনিত গ্ৰাম্য জীৱনৰ কথিত অসমীয়া ভাষাৰ প্ৰয়োগ সাহিত্যিক মান সম্পন্ন কৰি কৰা হৈছে। গতিকে পুথিখনিৰ সৰ্বত্ৰতে লোকজীৱন বৰ্তমান। পুথিখনিৰ নিৰ্দিষ্ট খণ্ড কেইটামানত অসমীয়া জনজীৱনত ব্যৱহৃত গালি শপনিসূচক মাতকথা তথা শব্দৰ প্ৰয়োগ হৈছে। সেইসমূহ উল্লেখ কৰা হৈছে।

ক) **অজামিলোপাখ্যান ঃ** কীৰ্তনৰ এই খণ্ডটিতো হৰিনাম শ্ৰৱণ-কীৰ্তন নকৰা পাপী লোকসকলৰ প্ৰতি নিন্দাসূচক বাণী প্ৰয়োগ কৰা হৈছে আৰু তেনে লোকক বৈষ্ণৱ সঙ্গৈ যাবলৈকো নিষেধ কৰা হৈছে।

(১) বৈষ্ণৱক দেখি অন্তৰি পৰাইবি

ভয়ে চপৰাইবি মুণ্ড।

নুহি মাধৱৰ গদাৰ কোবত

হইবেক হাড় খুখুণ্ড।। (৩য় কীৰ্তন)

(২) কৃষ্ণৰ কীৰ্তন নকৰি থাকয়

আনসে কথা চোবাই।

সিটো পাপিষ্ঠক ঝাণ্টে বান্ধি আন

লোহাৰ ভাঙ্গে কোবাই।।২৪ (৩য় কীৰ্তন)

(খ) **প্ৰহ্লাদ চৰিত্ৰ ঃ** এই খণ্ডটিৰ বহুকেইটি কীৰ্তনৰ পদত থলুৱা অসমীয়া সমাজৰ গালি শপনিযুক্ত শব্দৰ ব্যৱহাৰ হৈছে।

(১) কৃষ্ণ-দৰশন-আশা ভঙ্গে

কোপে চক্ষু পকাই মাতন্ত খঙ্গে।।২৪ (৩য় কীৰ্তন)

(২) ক্ৰোধে বুলিলন্ত লক্ষ্মী শাপি।

হুয়োক অসুৰ দুয়ো পাপী।। (৭ম কীৰ্তন)

(৩) আন বেত কোবাই মাৰো অৰে দুৰাচাৰ।

মন্দ-বুদ্ধি আমাৰ অনাইলি ক্ষিলিঙ্কাৰ।।

উপজিল তই দৈত্য কূলৰ কণ্টক।

ভৈলি বিষ্ণু-পক্ষ ক্ষয় কৰিলি কূলক।।১২১ (১১শ কীৰ্তন)

(৪) শুনৰে অধম ব্ৰাহ্মণ শিশুক

এহিসে পাঠ শিকাইলি। (১২শ কীৰ্তন)

(৫) শুনৰে বৰ্ব্বৰ নগণ মোক।

দেখাইবো আজি যমপুৰী তোক।। (১৬শ কীৰ্তন)

(গ) **ৰাসক্ৰীড়া ঃ** এই খণ্ডটিত গোপীসকলৰ মাজৰ পৰা কৃষ্ণ অন্তৰ্ধ্যান হোৱাৰ সময়ত গোপীসকলে কৃষ্ণৰ অভিনয় কৰি থাকোতে কালি দমনৰ কৃষ্ণৰ ৰূপ ধাৰণ কৰি কালিনাগক নিন্দাসূচক গালি পাৰিছে

এনেধৰণেৰে—

সত্বৰে অন্তৰ ঐৰ সৰ্প দুৰাচাৰ।

দুষ্টক দণ্ডিবে লাগি মোৰ অৱতাৰ।। ৬৪ (৬ষ্ঠ কীৰ্তন)

(ঘ) **কংসবধ ঃ** শ্ৰীকৃষ্ণই কংস বধৰ নিমিত্তে মথুৰালৈ আহি থাকোতে পথৰ কাষত কংস ৰজাৰ ধোবাক পিন্ধিবৰ বাবে ভাল বস্ত্ৰ বিচাৰোতে দিবলৈ অস্বীকাৰ কৰাৰ বাবে কৃষ্ণৰ প্ৰতি কৰা ব্যৱহাৰত খং প্ৰকাশ পাইছে।

দুৰ্ম্মুখ ধোবা মাতে ক্ৰোধ কৰি।

কিনো <u>মহামূঢ়</u> তোৰা গোৱাল।।

পৰ্ব্বত-বনত খপস কাল।

মাৰিবাক লাগি নাহিকে ত্ৰাস।। (২৬শ কীৰ্তন)

(ঙ) **গোপী উদ্ধৱ সংবাদ ঃ** কৃষ্ণ বিৰহত আচ্ছন্ন গোপীসকলে কৃষ্ণ-দূত উদ্ধৱক অক্ৰূৰ (কংসবধৰ বাবে মথুৰালৈ কৃষ্ণক লৈ যোৱা দূত) বুলি ভাবি কঠোৰ ভাষাৰে গালি দিছে এইদৰে—

ইবাৰ কিবা মাংস নেয় কাটি।

মৰিল কংস দিবে পিণ্ড বাটি।।

ডাকিয়া পাৰে অক্ৰূৰক গালি।

হা কৃষ্ণ বুলি কান্দে গোৱালী।।৮

(চ) **বিপ্ৰপুত্ৰ আনয়ন ঃ**

এই খণ্ডটিত নিন্দাসূচক বাক্য পোৱা যায়। যেনে—

(১) ৰাজাকো ভৰ্ৎসন্ত আতি কৰি তিৰস্কাৰ।

ইটো দুষ্ট দুৰ্জ্জন ক্ষত্ৰিয় কুলাঙ্গাৰ।।২ (১ম কীৰ্তন)

(২) বিধিৰ বিপাকে যিটো দৈৱে ভৈলা নাশ।

কিনো মুৰ্খ তঞি তাক ৰাখিবাক চাস।।১৬ (২য় কীৰ্তন)

### ৩.০২.১০ কীৰ্তন-ঘোষাত ব্যৱহৃত নাৰীৰ মুখৰ ভাষা ঃ

কীৰ্তন-ঘোষাৰ সীমিত সংখ্যক অধ্যায়ত নাৰীৰ ব্যৱহাৰিক জীৱনত ব্যৱহৃত মাত-কথাৰ প্ৰয়োগ হৈছে। কোনো ক্ষেত্ৰত আবেগ অনুৰাগ ঈৰ্ষা আদিৰ বাবে নাৰীৰ মুখৰ ভাষা পুৰুষতকৈ সুকীয়া হয়।

‘কীর্তন’ত নাৰীজীৱনৰ মুখৰ ভাষা প্ৰতিভাত হৈছে যদিও কোনো কোনো ক্ষেত্ৰত কিছুপৰিমাণে স্থূল গ্ৰাম্যদোষ উক্ত কথন ৰীতিত লক্ষ্য কৰা যায়।

(ক) **শিশুলীলা ঃ** এই খণ্ডটিত শিশু কৃষ্ণ আৰু মাতৃ যশোদাৰ কথোপকথনৰ মাধ্যমেৰে একোগৰাকী মাতৃৰ মৰম আৰু শাসনৰে শিশু পুত্ৰক কৰা ব্যৱহাৰ প্ৰকাশ পাইছে।

শুনিয়া যশোদা সুন্দৰী হাসি।
পুত্ৰৰ হাতত ধৰিলা আসি।।২৩
কেনে মাটি খাইলি অৰে গোপাল।
কোবাই আজি তোৰ ফাৰিবো ছাল।।
... ... ...
হেন শুনি মাতে যশোদা নাৰী।।২৭
বায়ো বেন্ত যেৰে মাটি নখাইলি। (৩য় কীৰ্তন)

সুন্দৰ শৰীৰৰ অধিকাৰী শিশু কৃষ্ণৰ কালীয় হ্ৰদত মৃতপ্ৰায় অৱস্থা প্ৰত্যক্ষ কৰি যশোদাই ‘কি ভৈল পুত্ৰ বুলি উকি দিয়া’- হিয়া ঢাকুৰি কান্দিবলৈ লৈছে। কৃষ্ণৰ গুণ বৰ্ণাই যশোদাই বিলাপ কৰিছে। এয়া এগৰাকী সহজ সৰল গ্ৰাম্য সমাজৰ শোকাতুৰা মাতৃৰ বিলাপৰ সমপৰ্য্যায়ৰ—

গোধূলি কোনে যাইবে বংশী বাই।
কোনে গৈয়া মোক বুলিবে আই।।১৩৭
ধূলা জাৰি কাক কৰাইবো স্নান।
কোনে কৰিবেক গোৰস পান।। (৯ম কীৰ্তন)

(খ) **ৰাসক্ৰীড়া ঃ** এই খণ্ডটিত বৃন্দাবনত যমুনাৰ তীৰত কৃষ্ণৰ সঙ্গত গোপীসকলৰ ৰাসক্ৰীড়া সময়ত গোপীৰ আচৰণত অহংকাৰ প্ৰকাশ পোৱাত কৃষ্ণ অৰ্ন্তধ্যান হৈছে। তেতিয়া কামাতুৰা স্ত্ৰীৰ ভাৱ প্ৰকাশৰ বাক্যবিন্যাস ভক্তা গোপীসকলৰ কথনত লক্ষ্য কৰা যায়। গোপীসকলে বাহ্যজ্ঞান হেৰুৱাই জড় প্ৰকৃতিকো কৃষ্ণৰ বাতৰি সুধিছিল—

উচ্চ বৃক্ষ দেখি সোধে সাদৰি।
শুনিয়ো অশ্বত্থ বট পাকড়ি।।
যাহান্তে দেখিলা নন্দকুমাৰ।

নেন্ত চুৰি কৰি চিত্ত আমাৰ।।৪৭

হে কুৰুবক অশোক চম্পা।

কহিয়ো কথা কৰা অনুকম্পা।।

মানিনীৰ দৰ্প কৰিয়া চুৰ।

নাজানো কৃষ্ণ যান্ত কত দূৰ।।৪৮ (৫ম কীৰ্তন) ইত্যাদি।

কৃষ্ণ এগৰাকী গোপীৰ সৈতে অৰ্ন্তধ্যান হৈছিল। সেই নাৰীও নিজে সকলোতকৈ শ্ৰেষ্ঠ বুলি অহংকাৰ যুক্ত হ'ল। কৃষ্ণৰ প্ৰতি তাইৰ ভাৱ এনেধৰণৰ ঃ

চলিতে নপাৰো আউৰ আমি এক ভৰি।

যৈকে মন নিয়া আৰে যেন লাগে কৰি।। (৭ম কীৰ্তন)

(গ) **কংসবধ ঃ** কংসবধৰ হেতু কৃষ্ণক অক্ৰূৰে মথুৰালৈ লৈ গৈছিল। গতিকে গোপনাৰীসকল প্ৰেমবিৰহত ব্যথিত হৈছে। তেওঁলোকৰ শোকবাণীত গ্ৰাম্য জীৱনৰ বিৰহ, শোকগ্ৰস্তা প্ৰেমিকা নাৰীৰ ভাৱ-চিন্তাৰে প্ৰতিফলন ঘটিছে। তেওঁলোকৰ অভিমানগ্ৰস্ত আৰু ঈৰ্ষাযুক্ত কথনশৈলী এনেধৰণৰ-পাইবা গৈয়া নাগৰী সুন্দৰী।/আউৰ দুনাই নাসিবন্ত হৰি।।২৬৩ (২২শ কীৰ্তন)

(ঘ) **গোপী-উদ্ধৱ সংবাদ ঃ** কৃষ্ণদূত উদ্ধৱ গোপীসকলৰ সমীপলৈ আহোঁতে গোপীসকলৰ মুখত বিৰহ-বেদনা তথা প্ৰেমিকা নাৰীৰ স্বাভাৱিক অভিমানযুক্ত বাণী উচ্চাৰিত হৈছে। ফুলচুমি ভোমোৰাই এৰি যোৱাৰ দৰে স্ত্ৰীতো পুৰুষৰ তেনেকুৱাই মন বুলি কৃষ্ণক কটাক্ষ কৰি বাক্য উচ্চাৰণ কৰিছে। বুজিলো কৃষ্ণৰ আমি ইঙ্গিত।/এড়িলা স্নেহ প্ৰভু সমুদায়।/মথুৰা নাগৰী সুন্দৰী পাই।। ইত্যাদি।

(ঙ) **কুঁজীৰ বাঞ্ছা-পূৰণ ঃ** কংসৰ দাসী কুঁজীয়ে কৃষ্ণৰ চন্দন তিলকেৰে কৰা পূণ্যৰ বলত দিব্য সুন্দৰী যুৱতীৰ ৰূপ লাভ কৰিছিল। সেই কুঁজীৰ বাক্যত কামাতুৰা স্ত্ৰীৰ মনোভাৱ ফুটি উঠিছে।

দিন কতিপয় থাকা নাথ ঐত

চৰণে কৰো কাতৰ।।

**৩.০৩ কীৰ্তন-ঘোষাত প্ৰাপ্ত অসমীয়া লোকসমাজত প্ৰচলিত ভকতীয়া ফকৰা-যোজনা ঃ**

শঙ্কৰদেৱে গ্ৰাম্য ৰীতিৰ কথনশৈলীৰ পৰা যথেষ্ট পৰিমাণে জতুঁৱা ঠাঁচ, খণ্ডবাক্য, ফকৰা যোজনা তথা ঘৰুৱা বাক্যৰীতি সংগ্ৰহ কৰি কীৰ্তন-ঘোষাৰ ভাষা সমৃদ্ধিশালী কৰিছে। কীৰ্তন-ঘোষাৰ প্ৰতিটো অধ্যায়ৰ পৰা এনে জতুৱা ঠাঁচ আৰু ঘৰুৱা ৰীতিৰ খণ্ডবাক্য বিচাৰি উলিয়াব পাৰি। তাৰে অধিকাংশই

হ'ল ভকতীয়া ফকৰা-যোজনা।

**(ক) নাম অপৰাধ ঃ**

(১) ভুঞ্জিৰেক কাকে জিহ্বা উভাৰি।।২৩ (২য় কীৰ্তন)

(ভয়ঙ্কৰ শাস্তিৰ অৰ্থত)

(২) প্ৰতি প্ৰতি লৰা সাতৰো লেখা।।৩১ (২য় কীৰ্তন)

(প্ৰতিটো কাম অতি সূক্ষ্মভাৱে বা পুংখানুপুংখভাৱে বিচাৰ বিশ্লেষণ কৰিহে গ্ৰহণ কৰা উচিত)

(৩) মাণিক্যক বিকা কাঞ্চক লাগি।।৩৬ (২য় কীৰ্তন)

(অতি মূল্যবান মানৱী জন্ম কিছুমান সাধাৰণ বাহ্যিক পাৰ্থিৱ সাংসাৰিক কামৰ বাবে নষ্ট কৰিব নালাগে)

(৪) ভকতক নিন্দা কৰে অধম। জানিবা নামৰ দ্ৰোহী পৰম।

(ভকতৰ দ্ৰোহ আচৰি নিজে নাশ হোৱা)[৭]

**(খ) পাষণ্ড মৰ্দন ঃ**

(১) নাৰদে দিলন্ত তিনি কতপা।

নামনিবে আৰু কোননো লপা। (১ম কীৰ্তন)

(তিনিবাৰ শপত গ্ৰহণ কৰাৰ পাছতহে কোনো কথা মানুহে সত্যবুলি গ্ৰহণ কৰে। অৰ্থাৎ অত্যাধিক সুদৃঢ় কথা।)

(২) নাৰদৰ বাণী শিলাৰ ৰেখা।

বৃহত-নাৰদী বিচাৰি দেখা।১২ (১ম কীৰ্তন)

(কাহানিও মচ নোখোৱা বা চিৰযুগমীয়া সত্য)

(৩) পাপৰ আলু উভৰয় নামে। (৩য় কীৰ্তন)

(ঈশ্বৰৰ গুণানুকীৰ্তনৰ দ্বাৰা সমস্ত পাপৰ মূল খণ্ডিত হয়)

(৪) কাঠ-পতানক যেহেন বানে।।৫৫ (৪ৰ্থ কীৰ্তন)

(অতি অনৰ্থক কাৰ্য্য। অৰ্থাৎ ধানৰ কাঠ পতান অৰ্থাৎ তুঁহ ঢেকীত বানিলে অযথা শ্ৰম কৰি মুৰ্খামিহে কৰা হ'ব।)

৭. শোভন চন্দ্ৰ শইকীয়া, *কথা নহয় ফকৰা*, পৃ. ১৪

(৫) স্রৱে যেন আৰাঁ ঘটৰ জল।। (৪ৰ্থ কীৰ্তন)

(আৰাঁ ঘট অৰ্থাৎ অপৈণত কেঁচা মাটিৰ পাত্ৰত পানী সংৰক্ষণ কৰিলে সেই পানী নিগৰি নিগৰি নিঃশেষ হৈ যায়। অৰ্থাৎ অশুদ্ধ মনৰ পাতল কৰ্ম সংৰক্ষণ যোগ্য নহয়।)

(৬) কৃষ্ণৰ বাক্য পাষাণৰ ৰেখা।। (৪ৰ্থ কীৰ্তন)

(চিৰযুগমীয়া অৰ্থত)

(৭) অনিচ্ছাতো যেন অগনি পোলে। (১ম কীৰ্তন)

(৮) নুগুচে কৰ্ণত আঙ্গুলি দিয়া। (২য় কীৰ্তন)

**(গ) ধ্যান বৰ্ণন ঃ**

কষটিত যেন সোণাৰ ৰেখা।।১৫ (২য় কীৰ্তন)

(ক'লা শিলৰ ওপৰত সোণৰ ৰেখা অংকন কৰাৰ দৰে বিৰল সৌন্দৰ্য্যবোধ)

**(ঘ) অজামিল উপাখ্যান ঃ**

অমৃতক এড়ি যেন বিষ্ঠা ভুঞ্জে

গৰু শূকৰৰ জাকে।। (৩য় কীৰ্তন)

(ভাল বস্তু ত্যাগ কৰি অশুদ্ধ অখাদ্য গ্ৰহণ কৰাৰ বিড়ম্বনা অৰ্থত)

**(ঙ) প্ৰহ্লাদ চৰিত্ৰ ঃ**

(১) দেখন্তে শিশু বয়সত বৃদ্ধ। (১ম কীৰ্তন)

(দেখাত সাধাৰণজন হ'লেও বিদগ্ধ পণ্ডিত।)

(২) চুম্বকৰ কাছে লোহা ভ্ৰমে যেন ঠানে। (১১শ কীৰ্তন)

(চুম্বকে লোহা আকৰ্ষণ কৰাৰ দৰে গুণীৰ সান্নিধ্যই মানুহক মুগ্ধ কৰে।)

(৩) সৰ্পে যেন ধৰিল ইন্দুৰ। (১৮শ কীৰ্তন)

(সাপে এন্দুৰ ধৰাদি ধৰা, উদ্ধাৰৰ উপায় নথকা।)

(৪) সিটো বাণিজাৰু নোহে ভৃত্য।। ২৩৫ (২১শ অধ্যায়)

(বণিক শ্ৰেণী অৰ্থাৎ আত্মনিৰ্ভৰশীল ব্যক্তিয়ে আনৰ তলতীয়া হৈ ভৃত্যৰ কাম কৰিবলৈ নাযায়।)

(৫) যেন বল বাঢ়য় সৰ্পৰ দুগ্ধ-পানে।। (২২শ অধ্যায়)

(গাখীৰ খাবলৈ পালে সৰ্পৰ বল বৃদ্ধি হয়। অৰ্থাৎ গাখীৰ খুৱাই সাপ পোহাৰ অৰ্থত খণ্ডবাক্যটি ব্যৱহাৰ হৈছে।)

(৬) দেৱৰো বাঞ্ছনী মনুষ্য জন্ম। (১ম কীৰ্তন)

(মনুষ্য জন্ম দেৱতাৰো কাম্য)

**(চ) গজেন্দ্ৰোপাখ্যান ঃ**

বিজুলী-চমক যেন জীৱনৰ অথিৰ।

পদ্মৰ পত্ৰৰ যেন জল নুহি থিৰ।। (৩য় কীৰ্তন)

(বিজুলীৰ চমক ক্ষণিকতে নোহোৱা হৈ যোৱাৰ দৰে, পদুম পাতত পানীৰ টোপাল ৰৈ নথকাৰ দৰে মানৱ জীৱনৰ ক্ষণস্থায়ী, ভংগুৰ অৰ্থাৎ মানৱ মৰণশীল।)

**(ছ) হৰমোহন ঃ**

(১) বহ্নিৰ সংযোগে যেন উথলিল ঘৃত। (৫ম কীৰ্তন)

(অগ্নিৰ সংস্পৰ্শত ঘিউ যি দৰে উতলে।)

(২) দান্তে খেড় কামোৰো সাৱট হাত মেলি। (৬ষ্ঠ কীৰ্তন)

(দাঁতত এডাল খেৰ লৈ কাকূতি কৰা অৰ্থত)

(৩) যতেক চটক দেখা যাৰ যেনমত পাখা

তাৰ অনুৰূপেসে উড়ায়।। (১০ম কীৰ্তন)

(যাৰ যিমানখিনিলৈকে সাম্যৰ্থ আছে সেইমতেহে কৰ্ম কৰিব লাগে।)

**(জ) বলিছলন ঃ**

(১) হস্তী যেন মাৰে মাখি। (৩য় কীৰ্তন)

(হাতীৰ যেনেকৈ মাখি মৰাত একো ভাগৰ নালাগে; তেনেকৈ শক্তিশালী জনে অতি নিমাখিত জনৰ প্ৰতি কৰা আচৰণৰ অৰ্থত।)

(২) হাতে-দান্তে খেৰ তুলি। (৩য় কীৰ্তন)

(হাতেৰে তৃণ এডাল মুখত ধৰি ভক্তিভাৱে শৰণাপন্ন হোৱা অৰ্থত)

(৩) নিতে কৰে ওৱাচিল বাঙ্কি। (৪ৰ্থ কীৰ্তন)

(পোৱা নোপোৱাৰ হিচাপ।)

**(ঝ) শিশুলীলা ঃ**

(১) তুমি অগনিত যেন পুড়ি মৰে ঝাসে।।৮ (১ম কীৰ্তন)

(জ্বলি থকা জুইত পতঙ্গই নিজে জাহ যায়। অৰ্থাৎ বিপদ বুলি জানি শুনিও সেই বিপদৰ বাটতে ভৰি দিয়ে।)

(২) ছায়া-পুতলাক যেন নচায়া যতনে।।৬৮ (৫ম কীৰ্তন)

(ছায়া পুতলা এবিধ খেলা, এই পুতলা অতি সযতনে নচুৱাব লাগে)

(৩) বাহানে পতানে যেন তণ্ডুলৰ আশে।।১০৪ (৮ম কীৰ্তন)

(চাউলৰ তুলনাত পতান যেনেদৰে অৰ্থহীন সেইদৰে গভীৰ কথাৰ ওচৰত মূল্যহীন কথাবোৰ নিমিষতে উৰি বা আঁতৰি যায়।)

(৪) অগনিৰ আগে যেন ক্ষুদ্ৰ ফিৰিঙ্গতি।।১০৬ (৮ম কীৰ্তন)

(ভগৱান অৰ্থাৎ বৃহৎ শক্তিৰ আগত মানৱ জীৱন অতি ক্ষুদ্ৰ)

(৫) গৰ্ভত থাকন্তে উদৰত ঘালে পাৰে। (৮ম কীৰ্তন)

(গৰ্ভত থাকি সন্তানে উদৰত ভৰিৰে গোৰ মাৰিলেও মাকে দোষ নধৰে)

**(ঞ) ৰাসক্ৰীড়া ঃ**

(১) বুদ্ধিক নাপেক্ষে মহৌষধিৰ শকতি।।১১

(মহৌষধৰ গুণ চেতনৰ ওপৰত নিৰ্ভৰ নকৰে)

(২) বিষ বুলি অমৃতক পিলে যিটো নৰ। (২য় কীৰ্তন)

নুহিবেক হেন জানা অজৰ অমৰ।।

(অমৃতকো যদি বিষ বুলি পান কৰা হয় সেই অমৃত বিষতুল্য হৈ পৰে। অৰ্থাৎ যি কোনো কাম অহংকাৰ যুক্ত হৈ কৰিবলৈ গ'লে ফলাফল বিষতুল্য হয়।)

(৩) শ্যামল মেঘত যেন বিজুলী সুথিৰ।। (১৬শ কীৰ্তন)

(নান্দনিক সৌন্দৰ্যৰ উপমা, অৰ্থাৎ অতিশয় সুন্দৰ)

(৪) দান্তে তৃণ ধৰি কৰ্ম উপৰক তুলি।

চক্ষু মুদি থাকে যেন চিত্ৰৰ পুতলী।। (১৬শ কীৰ্তন)

(মানুহৰ ভক্তিময় চেতনাৰ তন্ময় ৰূপ অৰ্থাৎ যি অৱস্থাত মানুহে গভীৰ ভাৱে ভগৱান উপাসনা

বা অন্য কিবা কাম কৰে তেনে অৱস্থাক মানুহক চিত্ৰৰ পুতলাৰ দৰেই অন্যই প্ৰত্যক্ষ কৰিব।)

(৫) সৰে অগনিত পতঙ্গ ঝাসে।।২১৪ (১৮শ কীৰ্তন)

(সম্ভাব্য বিপদ দেখিও আওকাণ কৰি সেই বিপদতে জপিয়াই পৰা।)

(৬) হৰক দেখি বিষ খায় আনে। সিজনে যেন মৰি যায় প্ৰাণে।। (১৫শ কীৰ্তন)

(শিৱক দেখি বিষপান কৰিবলৈ যোৱা জনৰ মৃত্যু অনিবাৰ্য্য, গতিকে দেখাক দেখি কাম কৰা অনুচিত)

**(ট) কংসৱধ ঃ**

(১) চিত্ৰৰ পুতলী আছে যেন ৰহি

কৃষ্ণতে অৰ্পিয়া মন। (২৭শ কীৰ্তন)

(ছবিৰ দৰে থৰ হৈ থকা অৰ্থাৎ তন্ময় ৰূপ)

(২) গৰুড়ৰ হাতে যেন বন্দী ভৈল সৰ্প।। (৩৩শ কীৰ্তন)

(দৰ্পচূৰ্ণ অৱস্থাৰ অৰ্থত)

(৩) হস্তীক আঝোৰে যেনমতে সিংহৰাজে। (৩৩শ কীৰ্তন)

(মহা বলৱন্ত জনকো পৰিস্থিতি সাপেক্ষে অন্য জনে তেওঁৰ অহংকাৰৰ বাবেই ধ্বংস কৰিব পাৰে।)

(৪) ধূলি-কৰ্দ্দমত নিজ খোজক নাকলে। (২৮শ অধ্যায়)

(মতি ভ্ৰষ্ট অৱস্থাৰ অৰ্থত)

**(ঠ) গোপী উদ্ধৱ সংবাদ ঃ**

পুষ্প চুম্বি এড়ে ভ্ৰমৰা যেনে।

স্ত্ৰীতো তেহ্ন পুৰুষৰ চিত্ত।।

(ভোমোৰাই এটা ফুল চুপি অন্য এটা ফুললৈ যোৱাৰ দৰে স্ত্ৰীৰ প্ৰতি পুৰুষৰ চিত্ত একেধৰণৰ)

**(ড) মুচুকুন্দ স্তুতি ঃ**

(১) তুমি অপ্ৰমত্ত হেলে মাৰা তাক

এন্দুৰক যেন সৰ্পে।।৯৯ (৮ম কীৰ্তন)

(অতি সহজসাধ্য কাম)

(২) কালে প্ৰাণ গৈলে সেহিতো শৰীৰ

হোৱা বিষ্ঠা পলু ছাই।। (৮ম কীৰ্তন)

(ক্ষণস্থায়ী জীৱনৰ অৰ্থত)

**(ঢ) স্যমন্তক হৰণ ঃ**

শুনি সৰ্বলোকে তাকে কৰে কণাকণি।।

(কোনো কথা মুখ বাগৰি সৰ্বত্ৰে জনাজাত হোৱা।)

**(ণ) নাৰদৰ কৃষ্ণ দৰ্শন ঃ**

মাণিক্যক বিকা কাচৰ মোলে।।৫০

(মূল্যৱান বস্তু অপাত্ৰত অৰ্পণ কৰা।)

**(ত) শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ ঃ**

(১) ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।

দাতাত চোৰত যেন দৃষ্টি একতুল।। (৪ৰ্থ কীৰ্তন)

(সামাজিক সমতাৰ বাণী।)

(২) বংশৰ অগনি যেন পোড়ে বাংশবন।।৮২ (৭ম কীৰ্তন)

(বাঁহৰ জুইয়ে বাঁহকে পোৰে। অৰ্থাৎ স্বজাতি অথবা স্ব-গৃহৰ মাজত লগা কন্দলে নিজকেহে ধ্বংস কৰে।)

(৩) যেন চন্দ্ৰ বিনে ৰাতি আন্ধাৰ। (৮ম কীৰ্তন)

(চন্দ্ৰ অবিহনে নিশাৰ অন্ধকাৰ নুগুছাৰ দৰে যোগ্য ব্যক্তিৰ অনুপস্থিতিত বিশেষ সভা সমিতিও ম্লান পৰে।)

(৪) বাঢ়িল ভকতি মল গুচিল বুদ্ধিৰ।। (৫ম কীৰ্তন)

(ভক্তি সহকাৰে মনে প্ৰাণে কৰা কামৰ দৃঢ়তাই বৌদ্ধিক কৰ্ষণ কৰি মানৱ মনক বিকশিত কৰে।)

(৫) ভৈল যেন জড় আতি পিশাঞ্চৰ বেশ।।১৭৫ (১৫শ কীৰ্তন)

(কোনো আকস্মিক কথাত ব্যক্তিৰ চ'কখোৱা অৱস্থা।)

(৬) সূৰ্যৰ কাষত যিটো থাকে।

তাক কি আন্ধাৰে আৰ ঢাকে।।৮৯ (৫ম কীৰ্তন)

(জ্ঞানী জনৰ সংগত সাধাৰণ ব্যক্তিৰো ব্যক্তিত্ব উজ্বল হয়।)

(৭) ক্ষীৰ সাগৰত আছিলন্ত শশধৰ।

মৎসে যেন বোলে ইও এক জলচৰ।। (১৭শ কীৰ্তন)

(জীৱিতাৱস্থাত গুণীজনৰ মৰ্যাদা সমাজত সীমিত স্তৰত থাকে। মৃত্যুৰ পাছতহে তেওঁৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন হয়।)

**(থ) উৰেষা বৰ্ণন ঃ**

(১) বিষ্ণুত প্ৰৱেশে যেন অগনিত ঘৃত।।১০৬ (১০ম কীৰ্তন)

(অগ্নিত ঘিউ দিলে যি দৰে ঘিউ অগ্নিৰ লগত বিলীন হৈ যায় তেনেদৰে ভক্তি ময় আত্মসমৰ্পণেৰে মানৱ আত্মা পৰমাত্মাত বিলীন হয়।)

(২) যেন জল-বুদ বুদ তিলে হোৱে ছন্ন। (১২শ কীৰ্তন)

(নিমিষতে চিন মোকাম নোহোৱা অৱস্থা।)

**(দ) ভাগৱতৰ তাৎপৰ্য ঃ**

(১) পাতক শুখান বন হৰি-নাম হুতাশন

ক্ষেণেকতে দহি কৰে ছন্ন।। (১ম কীৰ্তন)

(হৰিনাম স্বৰূপ জুইয়ে শুকান বন সদৃশ পাপো নাশ কৰিব পাৰে।)

(২) যতেক দেখা খোজ সমুদায়।

হস্তীৰ খোজত সৱে লুকায়।। (২য় কীৰ্তন)

(অসংখ্য ক্ষুদ্ৰ খোজ হাতীৰ বৃহৎ খোজে নিঃচিহ্ন কৰি দিব পাৰে অৰ্থাৎ পৰম শক্তিৰ ওচৰত সকলো ক্ষুদ্ৰ।)

**(ধ) সহস্ৰ নাম বৃত্তান্ত ঃ**

(১) কৰ্ণ দুই আছন্ত নুশুনিলো হৰি কথা

দোগোটা গৰ্ত্তৰ ভাৰ বহিলোহো বৃথা।। (১ম কীৰ্তন)

(দুখনকাণ থাকিও হৰিনাম নুশুনাৰ বাবে সেই কাণৰ বিন্ধা অনৰ্থক গাঁতৰ দৰে বহন কৰি অহা অৰ্থাৎ প্ৰয়োজনীয় কামলৈ আওকান কৰি অৰ্থহীন কথাত লাগি সময় নষ্ট কৰিব নালাগে।)

(২) দাদুৰীৰ জিহ্বা যেন কৈলো কোন কাম।। (১ম কীৰ্তন)

(ভেকুলীৰ জিভাৰ দৰে অৰ্থহীন শব্দ কৰা জীভাখনে হৰিনাম নোলোৱাৰ বাবে নিন্দা সূচক উক্তি।)

**(ন) ঘুনুচা কীৰ্তন ঃ**

টাটকীয় যেন টাটক দেখায়া

কেনে যাহা পৰিহৰি।।১০১ (৬ষ্ঠ কীৰ্তন)

(ভেল্কীবাজীৰ দৰে প্ৰতাৰণা মূলক আচৰণ।)

**(প) ৰুক্মিণীৰ প্ৰেম কলহ ঃ**

(১) *প্ৰলয়-জলৰ বাট পথ নাহি ভালে।* (১ম কীৰ্তন)

(ভয়ংকৰ বিপদগ্ৰস্ত অৱস্থাত সহজে ভাল পথৰ সন্ধান পোৱা নাযায়।)

(২) ঢুলন চামৰ লৈয়া আপদে মজিলো।। (৩য় কীৰ্তন)

(অতি বিলাসী জীৱন উপভোগ কৰি পাছত বিপদকহে মাতি অনা হয়।)

৩.০৩.১ **কীৰ্তন ঘোষাৰ প্ৰত্যক্ষ বা প্ৰৰোক্ষ প্ৰভাৱ যুক্ত ফকৰা-যোজনা ঃ**

অসমীয়া লোকজীৱনত জনপ্ৰিয় বহুতো ফকৰা-যোজনাত কীৰ্তনপুথিৰ উল্লেখ আৰু প্ৰভাৱ প্ৰত্যক্ষ বা পৰোক্ষভাৱে দেখা যায়। তাৰে কেইটামান উদাহৰণ এনে ধৰণৰ—

(১) পদ-আপদ, কীৰ্তনে মূৰ টিঙটিঙায়

পিপৰাত দিলে গুলি,

এটা পিপৰাই নটা হাতী গিলিলে

তলপেট খজুৱাইছে বুলি।

(ভাঙনি ঃ এটা পিপৰা - এটা মন, নটা হাতী - নবিধ ভক্তি)

(২) কহ্না আছে বহ্না নাই।

সাত হাল গৰুৰ নটা নাই।

(ভাঙনি ঃ সাতহাল চৈধ্য প্ৰসঙ্গ, নটা - নবিধ ভক্তি[৮])

(৩) বামুণ হৈ নবধে গাই,

ভকত হৈ নেমাৰে ভাই,

সাধু হৈ নেখায় মদ,

এই তিনি নেপায় পৰম্পদ।

(ভাঙনি ঃ ইয়াত গাই- বেদ, ভাই-ৰিপু, মদ- ভক্তিৰস।)

৮. লীলা গগৈ, *অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা,* পৃ. ৩২

ব্ৰাহ্মণে যদি বেদাধ্যায়ন নকৰে ভকতে হৈ যদি ৰিপুসমূহ বশ কৰিব নোৱাৰে, সাধু হৈ যদি ভক্তিৰস পান কৰিব নেজানে তেনেহ'লে পৰম্পৰা লাভ কৰিব নোৱাৰে।

(৪) শাল-শিঙী দুয়ো হ'ল ভকত।

কুচিয়া আতাক তুলি আনিয়ো লগত।

(ভাঙনি ঃ শাল-গীতা, শিঙী-ভাগৱত, কুচিয়া-বেদ, শাল, শিঙী, কুচিয়া তিনিও বিধ অখাদ্য। একালত গীতা ভাগৱত আৰু বেদ শূদ্ৰৰ বাবে চুব-চাব নোৱাৰা বস্তু আছিল। মহাপুৰুষে গীতা, ভাগৱত আৰু বেদ মন্থন কৰি নামধৰ্ম উলিয়ালে।[৯])

(৫) কাকনো দোষিম কামিনী পাশত

জটীয়া শিৰও পৰিল পাকত।।[১০]

(ভাঙনি ঃ এই ফকৰা যোজনাটি কীৰ্তন-ঘোষাৰ হৰমোহন খণ্ডৰ প্ৰভাৱত সৃষ্টি হৈছে।)

(৬) খুজি মাগি কৰে দান,

তেহে পাবা বৈকুণ্ঠত স্থান।।[১১]

(ভাঙনি ঃ কষ্ট কৰি পোৱা বস্তু আনৰ উপকাৰৰ অৰ্থে দান কৰিও আনন্দ পোৱা যায়।)

(৭) গায়ন নতৰে বায়ন নতৰে

নতৰে ভাগ বঁটা

দেউৰী নতৰে ভৰালী নতৰে

নতৰে হাতী মতা।।[১২]

(ভাঙনি ঃ যেতিয়া ভগৱান বিতুষ্ট হয়, তেওঁৰ আগত কোনো তৰিব নোৱাৰে। একমাত্ৰ তেওঁৰ একান্ত সেৱক ভক্তহে তিষ্ঠিব পাৰে।)

(৮) গুৰুতকৈ শিচ শিয়ান

খুচৰি খুচৰি লয় গিয়ান।।[১৩]

(ভাঙনি ঃ যাৰ জ্ঞান আহৰণৰ প্ৰতি ধাউতি আছে, তেওঁ নজনা কথাৰ আগ্ৰহ সদায় থাকে।)

৯. উল্লিখিত, পৃ. ৩৩
১০. জীৱন চন্দ্ৰ কোঁচ, *অসমীয়া ভাষাৰ অলংকাৰ ফকৰা-যোজনা*, পৃ. ৮৩
১১. উল্লিখিত, পৃ. ১০১
১২. উল্লিখিত, পৃ. ১১২
১৩. উল্লিখিত, পৃ. ১১৩

৯) গুৰুসেৱা অতিথি পূজে

সেই নাৰী সদা সুখকে ভুঞ্জে।।[১৪]

(ভাঙনি ঃ যি নাৰীয়ে গুৰুক ভক্তি কৰি ৰীতি-নীতি মতে আলহীক আদৰ অপ্যায়ন কৰে, তেনে নাৰীৰ মঙ্গল হয়।)

১০) গুৰুত লাগিলে ভকত ৰ'ব

ভকতত লাগিল অধঃপাত হ'ব।।[১৫]

(ভাঙনি ঃ গুৰু ভজিলে ভকতে ভকতি দুৱাৰ খোলা পায়। আপদে বিপদে গুৰুৱে তাৰিব। কিন্তু ভকতৰ ওপৰত পীড়ন উৎপীড়ন হ'লে ভগৱানে সহ্য নকৰে। কাৰণ ভগৱান ভকতৰ বশ্য। কাজেই উৎপীড়নকাৰীৰ অধঃপতন অৱশ্যাম্ভৱী।)

১১) মোৱা মাৰো, চন্দা মাৰো আৰু মাৰো পুঠি

শ্ৰৱণ-কীৰ্তন কৰো শোৱা চাঙত উঠি।।[১৬]

(ভাঙনি ঃ বিভিন্ন ধৰণৰ বৈষয়িক কামত সময় খৰছ কৰি মূল পৰমাৰ্থিক কামত গুৰুত্ব নিদিয়া।)

১২) য'তে দেখে গাজী কল

ত'তে উঠে নামৰ ঢল।।[১৭]

ভাঙনি ঃ যি পূজা সেৱা উৎসৱত খোৱা-বোৱা প্ৰসাদ দ্ৰব্যৰ আয়োজন আছে, তাত ভক্ত দৰ্শকৰ ঢল নামিবই, অৰ্থাৎ ভক্তিতকৈ লোভ বেছি।

সামগ্ৰিকভাৱে কীৰ্তন-ঘোষাৰ ভাষাৰ বিন্যাসে থলুৱা অসমীয়া জন-জীৱনৰ এটি বিশাল অংশ আৱৰি আছে। শঙ্কৰদেৱে সম-সমায়কি অসমীয়া সমাজখনৰ বিভিন্ন দিশ-প্ৰকৃতি জগত, সাজ-সজ্জা, জীৱিকাৰ শৈলী, লোকাচাৰ, গাৰ্হস্থ্য জীৱন, লোকমনস্তত্ব আদিৰ সন্দৰ্ভত সূক্ষ্ম গাৰ্হস্থ্য জীৱন, লোকমনস্তত্ব আদিৰ সন্দৰ্ভত সূক্ষ্ম অধ্যয়ন কৰিছিল। তেওঁ ধৰ্মৰ মাধ্যমেৰে কীৰ্তন-ঘোষাত অসমীয়া জাতীয় জীৱনৰ নিজৰেই প্ৰতিচ্ছৱি ফুটাই তুলিবলৈ সযত্ন প্ৰয়াস কৰিছিল। সেইবাবে অসমীয়া সমাজে কীৰ্তন-ঘোষাৰ পাঠত শাস্ত্ৰৰ কঠিন তত্ত্ব এক চিনাকি পৰিবেশত সহজবোধ্যকৈ উপলব্ধি কৰিবলৈ সক্ষম হয়। বিশেষকৈ চিনাকি শব্দব্যঞ্জনা, ভাষাশৈলীৰ প্ৰয়োগে কীৰ্তন-ঘোষাক আজি পৰ্যন্ত অসমীয়াৰ আত্মাৰ ওচৰ চপাই ৰাখিছে। অসমীয়া জাতিৰ মনস্তত্ব, আচাৰ-শৈলী, সমাজ নীতি, ধৰ্মনীতি, ৰাজনীতি, অৰ্থনীতি সকলো

১৪. উল্লিখিত, পৃ. ১১৪
১৫. উল্লিখিত, পৃ. ১৯৪
১৬. উল্লিখিত, পৃ. ২৬০
১৭. উল্লিখিত, পৃ. ১৬২

দিশক আলোকপাত কৰি শঙ্কৰদেৱে দূৰদৃষ্টিসম্পন্ন কৰ্ম আঁচনি গ্ৰহণ কৰিছিল। পাৰমাৰ্থিক তত্ত্বসমূহ প্ৰসাৰৰ লগে লগে গ্ৰাম্য অৰ্থনীতি সুদৃঢ় কৰাৰ বাবেও কৰ্মপন্থা উদ্ভাৱন কৰিছিল। এই সমস্ত তত্ত্ব অতি সৰ্তকতাৰে তেওঁ কীৰ্তন-ঘোষাৰ মাজত সন্নিৱিষ্ট কৰিছিল।

সেইদৰে মানুহৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ সংক্ষেপ অথচ সাৰগৰ্ভ বাণীসমূহ ফকৰা-যোজনা নাইবা অৰ্থবহ লোকপ্ৰবাদ-বচনৰ আৰ্হিত সৃষ্টি কৰাৰ প্ৰৱণতাও শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা আৰু অন্যান্য ৰচনাত সাৰ্থকভাৱে লক্ষ্য কৰা যায়। কীৰ্তনৰ নাম-প্ৰসংগৰ আনন্দময় আৰু চূড়ান্ত পৰ্যায়ত মৰা সামৰণিৰ পৰা অসমৰ লোকভাষাত 'ৰসতে নাম থোৱা' প্ৰৱচনৰো সৃষ্টি হৈছে। যুগ যুগ ধৰি মানৱ জীৱনৰ প্ৰত্যক্ষ বা পৰোক্ষ অভিজ্ঞতাপ্ৰসূত সত্যবোৰ ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন অথবা লোকোক্তিৰ জৰিয়তে প্ৰচলিত হৈ আহিছে। প্ৰবাদ বাক্যসমূহে জাতীয় জীৱনৰ সকলো স্তৰতে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়। কীৰ্তন-ঘোষাত প্ৰাপ্ত আৰু কীৰ্তনৰ অনুপ্ৰেৰণাত সৃষ্ট পৰমাৰ্থিক ফকৰা-যোজনা অথবা প্ৰবাদ বাক্য সমূহে অসমীয়া লোকজীৱনক  গভীৰভাৱে প্ৰভাৱিত কৰি আহিছে। বৰ্তমানে সময়তো গ্ৰামাঞ্চলত বয়োবৃদ্ধ লোকসকলৰ কথোপকথনত এনে পৰমাৰ্থিক ফকৰাই বিশিষ্ট স্থান লাভ কৰি আহিছে। সমাজৰ জ্ঞানী মহাপুৰুষসকলৰ মুখনিঃসৃত এনে সাৰগৰ্ভ বাণীসমূহে জাতীয় পৰম্পৰাৰ একো একোটা দিশৰ প্ৰতিনিধিত্ব কৰে। শঙ্কৰদেৱৰ দ্বাৰা সৃষ্ট কীৰ্তন-ঘোষাৰ প্ৰাপ্ত লোকোক্তি তথা আপ্তবাক্যসমূহে প্ৰধানভাৱে একশৰণ হৰিনাম ধৰ্মৰ তত্ত্ব-দৰ্শনক প্ৰতিনিধিত্ব কৰিছে। দৈনন্দিন জীৱনৰ সাধাৰণ ঘটনাসমূহক ধৰ্ম তত্ত্বৰে বিভূষিত কৰিছে। বৰ্তমান সমাজত এনে আপ্তবাক্য সমূহ বিভিন্ন অৰ্থত ব্যৱহাৰ হৈ আহিছে। গতিকে কীৰ্তন-ঘোষাৰ বাণীভঙ্গিমাত অঙ্গাঙ্গী ভাৱে অসমীয়া জন-জীৱন সম্পৃক্ত হৈ আহিছে। যুগ-যুগ ধৰি স্বাভাৱিক জীৱনৰ চিন্তন-মননত কীৰ্তন-ঘোষাৰ চৰ্চাৰ এনেভাৱে শিপাই আছে, যে পুথিখনক বাদ দি অসমীয়া ধৰ্মীয় লোক জীৱনৰ শৃংখলাবদ্ধ শৈলী কল্পনাই কৰিব নোৱাৰি। পুৰণি অসমীয়া ভাষাক মান্যতা প্ৰদান কৰাৰ লগে লগে কীৰ্তন-ঘোষাই লোক-জীৱনক বৰ্তমানেলৈকে অনন্য মাত্ৰাত শৃংখলিত কৰি ৰাখিবলৈ সক্ষম হৈছে।